
# অন্বেষণ

প্ৰথম বছৰ ■ তৃতীয় সংখ্যা ■ এপ্ৰিল, ২০১৪







বৰেণ্য ব্যক্তিত্ব : বাৰাক ওবামা

ঠাইৰ চিনাকি : ৰক গাৰ্ডেন



অসমৰ গৌৰৱ ডা° সৰ্বেশ্বৰ চহৰীয়া

লোকসভা নিৰ্বাচন, ২০১৪



নেপ'লিয়ন ব'নাপার্ট, প্রসংগ পৃষ্ঠা ১৭




টিপু চুলতান, প্রসংগ পৃষ্ঠা ১৭



মহাশ্বেতা দেৱী, প্রসংগ পৃষ্ঠা ৫



ৰণ্টজেন, প্রসংগ পৃষ্ঠা ১১



জোজে চাৰামাগ', প্রসংগ পৃষ্ঠা ১৪

# অন্বেষণ

প্ৰথম বছৰ, তৃতীয় সংখ্যা, এপ্ৰিল, ২০১৪ চন

## সূচীপত্ৰ

২ লোকসভা নিৰ্বাচন
■ মানসী বৰুৱা
৩ দেশ-বিদেশৰ খবৰ
■ সংগ্ৰহ : কুশল গোস্বামী
৮ খবৰৰ লেচেৰি বোটলা
■ সংগ্ৰহ : জয়ন্ত ডেকা
৯ বিশিষ্ট চিকিৎসক পদ্মশ্ৰী ডাঃ সৰ্বেশ্বৰ চহৰীয়া
■ কমলজ্যোতি ডেকা
১০ চুটিগল্পলৈ ন'বেল বঁটা অনা এলিচ মুনৰো
■ লিপিমণি দত্ত
১১ ন'বেল বঁটা
■ নিবেদিতা তালুকদাৰ
১৩ অসমৰ বৰেণ্য সাহিত্যিক : মাধৱ কন্দলি
■ অপৰাজিতা বৰা
১৪ বিশ্ব সাহিত্যৰ পৰিচয় : ব্লাইণ্ডনেছ
■ নিশা দেৱী
১৫ অৰ্থনীতি : বাজেট সম্পৰ্কে কিছু কথা
■ অপৰ্ণা দেৱী
১৬ মোগল সাম্ৰাজ্যৰ অন্যতম ভাস্কৰ্য 'কুটুবমিনাৰ'
■ চন্দনা মেধি চৌধুৰী
১৭ দৈনন্দিন জীৱনত বিজ্ঞানৰ প্ৰভাৱ
■ অভিজিত শৰ্মা বৰুৱা
১৯ ক্ৰীড়াঙ্গন : কেইটামান বিখ্যাত ফুটবল ক্লাব
২০ কুইজ
■ ধ্ৰুৱ শৰ্মা
২১ বিশ্ব ইতিহাস : ভাৰতৰপৰা ফ্ৰান্সলৈ
■ গায়ত্ৰী শইকীয়া
২২ চুড'কু
২৩ মানসিক সামৰ্থ্য বিকাশ : বৰ্ণ ক্ৰমাংক সম্পৰ্কীয় সমস্যা
■ ঘনশ্যাম মেধি
২৬ ঠাইৰ চিনাকি : চণ্ডীগড়ৰ ৰক গাৰ্ডেন
■ সংগীতা দাস
২৭ বুৰঞ্জী : ৰহাৰ ৰহদৈ, তিপামৰ ভাদৈ, শলগুৰিৰ আঘোণী বাই...
■ সোণালী গগৈ
২৮ প্ৰকৃতি : গৰুৰ শিং, গঁড়ৰ খড়গ, হৰিণৰ শিং একেই নে?
■ বনানী ডেকা
২৯ মানসিক সামৰ্থ্য বিকাশ
■ ৰবীন্দ্ৰ বৰ্মন
৩১ বিশেষ নিবন্ধ : বাৰাক হুছেইন ওবামা
■ কুশল গোস্বামী
৩২ সঘনাই মনলৈ অহা প্ৰশ্ন

সহযোগী সম্পাদক : পংকজ দত্ত

উপ-সম্পাদক : কুশল গোস্বামী, প্ৰাঞ্জল তালুকদাৰ, লিপিমণি দত্ত

ব্যৱস্থাপনা : দিলীপ কুমাৰ দত্ত চৌধুৰী

মূল্য : বিছ টকা

অংগসজ্জা আৰু বেটুপাত : কুঞ্জৰ দাস

ডিটিপি : প্ৰশান্ত বৰঠাকুৰ

অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰদ্বাৰা প্ৰকাশিত আৰু অবৈতনিক সচিব ডাঃ নাৰায়ণ শৰ্মাৰদ্বাৰা সম্পাদিত; অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰদ্বাৰা মুদ্ৰিত।

# লোকসভা নিৰ্বাচন

■ মানসী বৰুৱা

ভাৰতৰ সংসদৰ নিম্ন সদনক লোকসভা বোলা হয়। লোকসভাৰ সদস্য নিৰ্বাচনৰ বাবে গোটেই দেশকে কিছুমান সংসদীয় সমষ্টিত ভাগ কৰা হয় আৰু প্ৰতিটো সমষ্টিৰপৰা এজনকৈ প্ৰাৰ্থীক নিৰ্বাচিত কৰা হয়। লোকসভাৰ সদস্যসকলক প্ৰতিজন নাগৰিকৰ ভোটৰদ্বাৰা প্ৰত্যক্ষভাৱে নিৰ্বাচিত কৰা হয়।

ভাৰতক ৫৪৩টা সংসদীয় সমষ্টিত ভাগ কৰা হৈছে। ৰাষ্ট্ৰপতিৰদ্বাৰা কোনো জৰুৰীকালীন অৱস্থাৰ ঘোষণা নহ'লে আমাৰ দেশত প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে লোকসভাৰ নিৰ্বাচন অনুষ্ঠিত হয়। সেই অনুসৰি চলিত বৰ্ষৰ ৩১ মে'ত পঞ্চদশ লোকসভাৰ কাৰ্যকালৰ অন্ত পৰিব। নতুন লোকসভা গঠন কৰিবলৈ ৭ এপ্ৰিলৰপৰা ১২ মে'লৈকে সাধাৰণ নিৰ্বাচন মুঠ নটা পৰ্যায়ত অনুষ্ঠিত হ'ব। ৩১ মে'ত পঞ্চদশ লোকসভাৰ কাৰ্যকালৰ অন্ত পৰাৰ আগতেই ১৬ মে'ত লোকসভা নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

২০১৪ বৰ্ষৰ সাধাৰণ নিৰ্বাচনৰ ভোটাৰ শক্তি (electoral strength) পৃথিৱীৰ ভিতৰতে সৰ্বাধিক ৮১.৪৫ কোটি বুলি ভাৰতৰ নিৰ্বাচন আয়োগে ঘোষণা কৰিছে। অৰ্থাৎ এইবাৰ ৮১ কোটি ৪৫ লাখ ভোটাৰে ভোটদান কৰিব। এইবাৰৰ ভোটাৰৰ তালিকাত ১০ কোটি নতুনকৈ ভোটাধিকাৰপ্ৰাপ্ত লোকৰ নাম সন্নিৱিষ্ট হৈছে। ২০১৪ বৰ্ষৰ লোকসভা নিৰ্বাচন দেশৰ ইতিহাসৰ আটাইতকৈ দীঘলীয়া আৰু ব্যয়বহুল সাধাৰণ নিৰ্বাচন বুলি চিহ্নিত হৈছে। ভাৰতৰ নিৰ্বাচন আয়োগৰ আনুমানিক হিচাপ অনুসৰি নিৰ্বাচনত অংশগ্ৰহণ কৰা ৰাজনৈতিক দলসমূহৰ নিজা খৰচ তথা নিৰাপত্তাৰ বাবদ হ'বলগা খৰচৰ পৰিমাণ বাদ দি আগন্তুক নিৰ্বাচনৰ নিৰ্বাচনী ব্যয়ৰ পৰিমাণ প্ৰায় ৩,৫০০ কোটি। এই ব্যয়ৰ পৰিমাণ পূৰ্বৰ নিৰ্বাচনী ব্যয়ৰ তিনিগুণ।

আগন্তুক লোকসভা নিৰ্বাচনত অংশগ্ৰহণকাৰী মুখ্য ৰাজনৈতিক দলসমূহ হৈছে—ভাৰতীয় জনতা পাৰ্টি, কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ, জনতা দল (ইউনাইটেড), সমাজবাদী দল, ভাৰতীয় কমিউনিষ্ট দল, ভাৰতীয় কমিউনিষ্ট দল (এম), আম আদমী পাৰ্টি ইত্যাদি। আঞ্চলিক দলসমূহৰ তালিকাত আছে—অসম গণ পৰিষদ, আকালি দল, তেলেগু দেশম, ডিএমকে, এআইএডি এমকে, নেশ্যনেল কনফাৰেন্স আৰু অন্যান্য দলসমূহ।

উল্লিখিত দলসমূহৰ ভিতৰত আগন্তুক নিৰ্বাচনৰ প্ৰভাৱশালী দল হিচাপে বিবেচিত ভাৰতীয় জনতা পাৰ্টি, কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ, আম আদমী পাৰ্টিয়ে নিজা নিজা নিৰ্বাচনী ইস্তাহাৰ তথা শ্ল'গানেৰে নিৰ্বাচনী যুঁজত অংশগ্ৰহণ কৰিছে।

এবিপি নিউজ (ABP News), ইণ্ডিয়া টুডে (India Today), এনডিটিভি (NDTV), চিএছডিএছ (CSDS) আৰু চিএনএন-আইবিএন (CNN-IBN) আদি বিভিন্ন সংস্থাই ২০১৪ৰ লোকসভা নিৰ্বাচন সম্পৰ্কত বিভিন্ন সম্ভাৱনাৰ কথা প্ৰকাশ কৰিছে। বিভিন্ন দল বা নিৰ্বাচনী জোঁটবোৰে (যেনে, ইউপিএ, এনডিএ আদি) লাভ কৰিব পৰা আসনৰ সংখ্যা সম্পৰ্কেও বিভিন্ন মত সমীক্ষাবোৰে দাঙি ধৰিছে। এনে সমীক্ষাবোৰ কিমান শুদ্ধ বা অশুদ্ধ হয় সেয়া নিৰ্বাচনী ফলাফলহে প্ৰমাণিত হ'ব। তথাপি দেশজুৰি স্থিতাৱস্থাবিৰোধী এক বতাহ যে বলিছে তেনে ছবি এখন প্ৰায়বোৰ সমীক্ষাই দাঙি ধৰিছে।

বৰ্তমান সমগ্ৰ দেশতে নিৰ্বাচনী বতাহ বলিছে। নিৰ্বাচনী প্ৰচাৰ, নিৰ্বাচনী সমীক্ষাৰ মাজতে মনত গভীৰ উৎকণ্ঠা লৈ সমগ্ৰ দেশবাসীয়ে আগন্তুক নিৰ্বাচনী ফলাফলৰ বাবে পৰম আশাৰে বাট চাই আছে। ❍

## প্ৰসিদ্ধ কবি হীৰেন্দ্ৰ নাথ দত্তক মুম্বাইৰ ৰমানাথ ভট্টাচাৰ্য ফাউণ্ডেশ্বনৰ বঁটা



প্ৰসিদ্ধ কবি-সাহিত্যিক হীৰেন্দ্ৰ নাথ দত্তক যোৱা ৯ মাৰ্চ তাৰিখে প্ৰদান কৰা হয় 'পদ্মনাথ বিদ্যাবিনোদ স্মৃতি সাহিত্য' পুৰস্কাৰ। মুম্বাইস্থিত ৰমানাথ ভট্টাচাৰ্য ফাউণ্ডেশ্বনৰ উদ্যোগত গুৱাহাটীৰ বিবেকানন্দ কেন্দ্ৰত আয়োজিত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত বিশিষ্ট কবিগৰাকীক এই বঁটা প্ৰদান কৰা হয়। উক্ত বঁটাত আছে ৫১ হাজাৰ টকা, মানপত্ৰ, শ্বল আৰু স্মাৰক। ফাউণ্ডেশ্বনৰ মুখ্য উপদেষ্টা তথা কবি-সাংবাদিক সুকুমাৰ বাগ্‌চিৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত বঁটা প্ৰদান কৰে ফাউণ্ডেশ্বনৰ সভাপতি ৰমানাথ ভট্টাচাৰ্য আৰু কলিকতা বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° বিশ্ববন্ধু ভট্টাচাৰ্যই। উল্লেখ্য, এই ফাউণ্ডেশ্বনে ২০১১ বৰ্ষৰপৰা এই বঁটা প্ৰদান কৰি আহিছে।

## ভাৰতীয় লেখক প্ৰকাশ মিশ্ৰলৈ য়েল বিশ্ববিদ্যালয়ৰ সাহিত্য বঁটা

আমেৰিকাৰ বিখ্যাত য়েল বিশ্ববিদ্যালয়ে সাতখন দেশৰ আঠগৰাকী ব্যক্তিলৈ আগবঢ়োৱা ১,৫০,০০০ ডলাৰ সম্বলিত সন্মানীয় 'য়েল বিশ্ববিদ্যালয় বঁটা' লাভ কৰিছে ভাৰতৰ প্ৰথিতযশা লেখক প্ৰকাশ মিশ্ৰই। নিজ নিজ ক্ষেত্ৰত লাভ কৰা সাফল্য আৰু তেওঁলোকৰ চলি থকা কৰ্মৰাজিত সহায়ক হোৱাকৈ য়েল বিশ্ববিদ্যালয়ে এই ব্যক্তিকেইগৰাকীলৈ বঁটা আগবঢ়াইছে। প্ৰকাশ মিশ্ৰ হৈছে ভাৰতীয় প্ৰবন্ধকাৰ, জীৱনীকাৰ, ভ্ৰমণ কাহিনীৰ স্ৰষ্টা আৰু ঔপন্যাসিক। চলিত বৰ্ষত য়েল বিশ্ববিদ্যালয়ে তিনিটা শাখাত এই বঁটা আগবঢ়াইছে। ফিক্‌শ্বন, নন-ফিক্‌শ্বন আৰু নাটক শাখাত আগবঢ়োৱা এই বঁটা লাভ কৰা আন আন লেখকসকল হ'ল—এমিনাটা ফৰ্ণা (ছিৰিয়া লিওন), নাদীম আছলাম (পাকিস্তান), জিম ক্ৰেচ (আমেৰিকা), জন ভেইলেণ্ট (আমেৰিকা), কিয়া কথ্ৰন (আমেৰিকা), ছেম হলক্ৰফট (ব্ৰিটেইন) আৰু নোৱেল জানাকজেউস্কা (অষ্ট্ৰেলিয়া)। মিশ্ৰই নন-ফিকশ্বন শাখাত সন্মানীয় কেম্পবেল সাহিত্য বঁটা লাভ কৰিবলৈ সক্ষম হয়।

## বীৰুবালা ৰাভালৈ মূলাগাভৰু বঁটা



অপৰিসীম সাহসেৰে সমগ্ৰ জীৱন শোষিত-নিষ্পেষিত আৰু অসহায় নাৰী সমাজক উত্তৰণৰ দিশে আগুৱাই লৈ যোৱাত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি অহা বীৰুবালা ৰাভাক ২০১৪ বৰ্ষৰ বীৰাংগনা মূলাগাভৰু বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। তাই-আহোম যুৱ পৰিষদ, অসমৰ চৰাইদেউ জিলা সমিতিয়ে ইতিহাসৰ গৰ্ভত ক্ৰমশঃ হেৰাই যাবলৈ উপক্ৰম হোৱা দুৰ্দান্ত সাহসী, মহীয়সী তথা বীৰাংগনা নাৰী মূলাগাভৰুৰ স্মৃতিত ২০১৩ বৰ্ষৰপৰা প্ৰদান কৰি আহিছে এই সন্মানীয় বঁটাটো। অসম আৰু অসমীয়াৰ স্বাৰ্থত উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা তথা সমগ্ৰ নাৰী জাতিৰ উত্তৰণৰ ক্ষেত্ৰত পথ প্ৰদৰ্শকৰ ভূমিকা পালন কৰা অপৰিসীম সাহসী, ত্যাগী আৰু সুনিপুণ কৰ্ম প্ৰেৰণাৰে বলিষ্ঠ ভূমিকা গ্ৰহণ কৰা বৰেণ্য ব্যক্তিক এই বঁটাৰ বাবে নিৰ্বাচন কৰা হয়। অহা ২৯ আৰু ৩০ এপ্ৰিলত সোণাৰিত অনুষ্ঠিত হ'বলগীয়া মূলাগাভৰু স্মৃতি দিৱসত এই বঁটা প্ৰদান কৰা হ'ব।

## দীপিকা চক্ৰৱৰ্তী, গোবিন্দ বড়োলৈ সাহিত্য অকাডেমি অনুবাদ বঁটা

প্ৰখ্যাত বাংলা লেখক সুনীল গংগোপাধ্যায়ৰ 'সেই সময়' উপন্যাসখন অসমীয়ালৈ অনুবাদ কৰা বাবে ২০১৩ বৰ্ষৰ অসমীয়া ভাষাত সাহিত্য অকাডেমিৰ অনুবাদ বঁটা লাভ কৰিছে দীপিকা চক্ৰৱৰ্তীয়ে। গুজৰাটী ভাষাক বাদ দি দেশৰ মুঠ ২৩টা ভাষালৈ ২০১৩ বৰ্ষৰ সাহিত্য অকাডেমিৰ এই অনুবাদ বঁটা আগবঢ়োৱা হৈছে। অসমীয়া

ভাষাৰ উপৰি বড়ো ভাষাত গোবিন্দ বড়োৱে এই বঁটা লাভ কৰিছে। বড়ো ভাষালৈ অনুবাদ কৰা 'জাগৰি' নামৰ বাংলা উপন্যাসখনৰ বাবে তেওঁ এই সন্মান পাবলৈ সক্ষম হৈছে। ভাৰতৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি এ পি জে আব্দুল কালামৰ 'উইংছ অৱ ফায়াৰ' নামৰ ইংৰাজী ভাষাত লিখা আত্মজীৱনীখন মণিপুৰী ভাষালৈ অনুবাদ কৰা বাবে ইবছা সৈবামলৈ এই সন্মানীয় বঁটা প্ৰদান কৰা হৈছে। অহা আগষ্ট মাহত এই বঁটাসমূহ প্ৰদান কৰা হ'ব।

## যুৱ ব্যৱসায়ী অপূৰ্ব লহকৰলৈ উল্লেখনীয় উদ্যোগীৰ ৰাষ্ট্ৰীয় বঁটা

পূৰ্বোত্তৰৰ উল্লেখনীয় উদ্যোগী শিতানত অসমৰ যুৱ ব্যৱসায়ী অপূৰ্ব লহকৰে লাভ কৰিছে উদ্যোগীৰ ৰাষ্ট্ৰীয় বঁটা। কুটীৰ, লঘু আৰু মজলীয়া উদ্যোগ খণ্ডত আগবঢ়োৱা উল্লেখনীয় অৱদানৰ বাবে ভাৰত চৰকাৰৰ কুটীৰ, লঘু আৰু মজলীয়া উদ্যোগ মন্ত্ৰালয়ৰদ্বাৰা প্ৰতি বছৰে দেশৰ বিভিন্ন প্ৰান্তৰ উদ্যমী ব্যৱসায়ীক এই বঁটা আগবঢ়াই অহা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিনিধি হিচাপে 'প্ৰদীপ এডভাৰটাইজিং এণ্ড কোঃ'ৰ সঞ্চালকপ্ৰধান লহকৰে ২০১২ বৰ্ষৰ বাবে এই ৰাষ্ট্ৰীয় বঁটা লাভ কৰে। যোৱা ১ মাৰ্চ তাৰিখে নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত এক অনুষ্ঠানত প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙে তেওঁক এই বঁটা প্ৰদান কৰে। এই বঁটাত আছে নগদ ১ লাখ টকা, এখন প্ৰশস্তি পত্ৰ আৰু এটা ট্ৰফী। লহকৰে ১৯৯৭ চনত ২০ হাজাৰ টকা মূলধনেৰে আৰম্ভ কৰা এই প্ৰতিষ্ঠানখনৰ বৰ্তমানৰ বাৰ্ষিক ব্যৱসায়ৰ আনুমানিক পৰিমাণ হ'ল প্ৰায় ৫ কোটি টকা। তেওঁৰ এই প্ৰতিষ্ঠানটোৱে অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে বাণিজ্যৰ প্ৰসাৰ ঘটোৱাৰ উপৰি বহুতো নিবনুৱা যুৱক-যুৱতীক কৰ্মসংস্থাপন আগবঢ়াবলৈ সক্ষম হৈছে। ১৯৭৪ চনত নলবাৰী জিলাৰ বৰভাগ অঞ্চলৰ পাণ্ডুলা গাঁৱত জন্মলাভ কৰা যুৱ উদ্যোগী লহকৰে ১৯৯৫ চনত বৰভাগ মহাবিদ্যালয়ৰপৰা স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত গুৱাহাটীত নিজাববীয়াকৈ এই প্ৰতিষ্ঠানখন আৰম্ভ কৰিছিল।

## ইমৰান শ্বাহক আব্দুল মালিক সাহিত্য বঁটা প্ৰদান



যোৱা ৯ মাৰ্চ তাৰিখে গোলাঘাট এমেচাৰ থিয়েটাৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত সাহিত্যাচাৰ্য চৈয়দ আব্দুল মালিক বঁটা প্ৰদান কৰা হয় অসম সাহিত্য সভাৰ সভাপতি ইমৰান শ্বাহক। বিশিষ্ট সাহিত্যিকগৰাকীৰ পৰিয়ালবৰ্গৰ উদ্যোগত আৰু গোলাঘাট শাখা সাহিত্য সভাৰ সহযোগত অনুষ্ঠিত এই বঁটা প্ৰদান কৰে সৰস্বতী বঁটাপ্ৰাপক বিশিষ্ট সাহিত্যিক ড° লক্ষ্মীনন্দন বৰাই। বঁটা গ্ৰহণ কৰি কথাশিল্পী ইমৰান শ্বাহে অসমীয়া সাহিত্য জগতৰ বৰেণ্য সাহিত্যিকগৰাকীৰ সোঁৱৰণত প্ৰদান কৰা বঁটা লাভ কৰি অতিশয় আনন্দিত হোৱা বুলি প্ৰকাশ কৰে। তেওঁ আব্দুল মালিকক মানৱতাৰ পৃথিৱীত বিচৰণ কৰা এজন 'বেদুইন' বুলি অভিহিত কৰি তেওঁৰ সাহিত্য সন্দৰ্ভত এতিয়াও বহুখিনি অধ্যয়নৰ আৱশ্যকতা আছে বুলি দৃঢ় মত প্ৰকাশ কৰে। এই ক্ষেত্ৰত অসমৰ বৌদ্ধিক সমাজে সাহিত্যাচাৰ্যগৰাকীৰ জনপ্ৰিয়তাকহে গ্ৰহণ কৰিছে বুলি কৈ তেওঁৰ লেখনিৰ গভীৰতাত বিচৰণ কৰা হোৱা নাই বুলি মন্তব্য কৰে।

## অসমীয়া চলচ্চিত্ৰৰ প্ৰথমটো ভ্ৰাম্যমান ছবিগৃহ মুকলি

বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত অসমীয়া চলচ্চিত্ৰ উদ্যোগক এক নতুন সম্ভাৱনা, আশাৰ বাট দেখুৱাই সংস্কৃতিক কৰ্মী তথা অসমৰ আগশাৰীৰ সাংস্কৃতিক প্ৰতিষ্ঠান এন কে প্ৰডাকচনৰ স্বত্বাধিকাৰী দেৱ বৰকটকীয়ে যোৱা ৯ মাৰ্চ তাৰিখে গুৱাহাটীত জন্ম দিয়ে 'ডি জি ফিল্মছ' নামৰ অসমৰ প্ৰথমটো ভ্ৰাম্যমান

ছবিঘৰৰ। এই ভ্ৰাম্যমান ছবিঘৰটোৰ উদ্বোধনী অনুষ্ঠান স্থানীয় গণেশগুৰিস্থিত গোপাল বড়ো উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হয় আৰু প্ৰথমটো প্ৰদৰ্শনী উন্মোচন কৰে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক বিভাগৰ আয়ুক্ত সচিব স্বপ্নীল বৰুৱাই। বিশিষ্ট অভিনেতা বিজু ফুকনকে ধৰি অসমৰ চলচ্চিত্ৰ আৰু সংগীত জগতৰ বহুকেইগৰাকী শিল্পীৰ লগতে শিক্ষাবিদ, সমাজকৰ্মী, সাংবাদিক উপস্থিত থকা এই অনুষ্ঠানত নতুন অসমীয়া চলচ্চিত্ৰ 'হিয়া দিবা কাক' প্ৰদৰ্শন কৰা হয়। উল্লেখ্য যে সাতশ দৰ্শকে একেলগে ছবি উপভোগ কৰিব পৰাৰ সুবিধা থকা এই ছবিঘৰটোত অত্যাধুনিক তথা শেহতীয়া উন্নত প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে। অতি উন্নত প্ৰযুক্তিসম্পন্ন এই ছবিঘৰটোত পয়ত্ৰিছ ফুট দৈৰ্ঘ্যৰ পৰ্দাত সদ্যহতে চাৰিখন নতুন অসমীয়া চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হ'ব বুলি স্বত্বাধিকাৰী দেৱ বৰকটকীয়ে প্ৰকাশ কৰিছে। অসমৰ চহৰ-নগৰৰ বিভিন্ন ঠাই ভ্ৰমণ কৰিবলগীয়া এই ছবিঘৰটোত কেৱল অসমীয়া কথাছবিহে প্ৰদৰ্শিত হ'ব।

## চণ্ডী প্ৰসাদ ভাটলৈ গান্ধী শান্তি বঁটা



বিশিষ্ট গান্ধীবাদী আৰু পৰিবেশবিদ চণ্ডী প্ৰসাদ ভাটক ২০১৩ বৰ্ষৰ গান্ধী শান্তি বঁটাৰ বাবে মনোনীত কৰা হৈছে বুলি যোৱা ২ মাৰ্চ তাৰিখে কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে। চিপকো আন্দোলনৰ অন্যতম হোতা ভাটে ইয়াৰ পূৰ্বে ১৯৮২ চনত 'এছিয়াৰ ন'বেল প্ৰাইজ'ৰূপে খ্যাত ৰমণ মেগাছেছে বঁটা লাভ কৰিছিল। ২০০5 চনত তেওঁ পদ্মভূষণ সন্মান লাভ কৰিছিল। সমাজকৰ্মী শ্ৰীভাট ১৯৬৪ চনতে উত্তৰাখণ্ডৰ গোপেশ্বৰ নামৰ ঠাইত দাচোলি গ্ৰাম স্বৰাজ্য সংঘ গঠন কৰি চিপকো আন্দোলন আগবঢ়াই নিয়াত সক্ৰিয়ভাৱে জড়িত হৈ পৰে। ১৯৯৫ চনৰপৰা ভাৰত চৰকাৰে আৰম্ভ কৰা এই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ গান্ধী শান্তি বঁটা ইতিপূৰ্বে বাবা আমটে, নেলছন মেণ্ডেলা, ডেছমণ্ড টুটুৰ দৰে বৰেণ্য ব্যক্তিসকলে লাভ কৰিছে।

## মহাশ্বেতা দেৱীক সাহিত্য সভাৰ 'মামণি ৰয়ছম গোস্বামী ৰাষ্ট্ৰীয় সাহিত্য বঁটা' প্ৰদান

প্ৰসিদ্ধ সাহিত্যিক, জ্ঞানপীঠ বঁটাপ্ৰাপক, পদ্মবিভূষণ মহাশ্বেতা দেৱীক যোৱা ২ মাৰ্চ তাৰিখে অসম সাহিত্য সভাৰ মামণি ৰয়ছম গোস্বামী ৰাষ্ট্ৰীয় সাহিত্য বঁটা প্ৰদান কৰা হয়। গুৱাহাটীৰ মাছখোৱাস্থিত প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিশিষ্ট সাহিত্যিকগৰাকীক এই বঁটা প্ৰদান কৰে অসমৰ ৰাজ্যপাল জানকী বল্লভ পাটনায়কে। এই ৰাষ্ট্ৰীয় সাহিত্য বঁটা গ্ৰহণ কৰি আবেগিক হৈ পৰা মহাশ্বেতা দেৱীয়ে তেওঁৰ ভাষণত কয় যে মামণি (ইন্দিৰা) গোস্বামী এগৰাকী অসাধাৰণ লেখিকা আৰু তেওঁৰ ভাষা তথা সাহিত্য সৃষ্টিৰাজিও অসাধাৰণ । ডং গোস্বামীয়ে জীৱনত নানা প্ৰতিকূল অৱস্থাৰ মুখামুখি হৈও সেইবোৰ সাহস আৰু দৃঢ়তাৰে নেওচি কৰ্মক্ষেত্ৰত আত্মনিয়োগ কৰিছিল বাবেই সীমিত জীৱন কালতেই ২৫ খন উপন্যাস আৰু শতাধিক গল্প লিখিবলৈ সক্ষম হৈছিল। লেখিকা আৰু ব্যক্তি হিচাপে মামণি (ইন্দিৰা) তেওঁৰ অতি প্ৰিয় বুলি দোহাৰি তেওঁক লৈ বহুত স্মৃতি এতিয়াও সজীৱ হৈ আছে বুলি প্ৰকাশ কৰে। অসম সাহিত্য সভাই মামণি ৰয়ছম গোস্বামীৰ দৰে এগৰাকী সাহিত্যিকৰ নামত উৎসৰ্গীকৃত এই বঁটা তেওঁক প্ৰদান কৰাত তেওঁ অতিশয় আনন্দিত হোৱা বুলি ব্যক্ত কৰে। উল্লেখ্য, চলিত বৰ্ষৰপৰা প্ৰৱৰ্তন কৰা আৰু প্ৰতি দুবছৰৰ মূৰে মূৰে আগবঢ়োৱা এই বঁটাৰ আৰ্থিক অনুদান আগবঢ়াইছে নুমলীগড় শোধনাগাৰ কৰ্তৃপক্ষই। এই বঁটাত আছে এটা স্মাৰক, এখন সম্বৰ্ধনা পত্ৰ, গ্ৰন্থৰ টোপোলা আৰু তিনি লাখ টকা।

১৯২৪ চনৰ ১৪ জানুৱাৰিত বৰ্তমানৰ বংলাদেশৰ ৰাজধানী ঢাকা চহৰত এটি ৰক্ষণশীল হিন্দু ব্ৰাহ্মণ পৰিয়ালত তেওঁৰ জন্ম হৈছিল। বঁটাপ্ৰাপক এই প্ৰসিদ্ধ লেখিকাগৰাকীয়ে বিশ্বভাৰতী শান্তি নিকেতনৰপৰা ইংৰাজী বিষয়ত অনাৰ্ছসহ স্নাতক আৰু কলকতা

বিশ্ববিদ্যালয়ৰপৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। তেওঁৰ ঝান্সীৰ ৰাণী, হাজাৰ চৌৰাশীৰ মা, অৰণ্যেৰ অধিকাৰ, অগ্নিগৰ্ভা, বিট্টেল চইল, চট্টি মুণ্ডা এবম তাৰতিৰ, ইমাজেনেৰী মেপ আদি অতুলনীয় গ্ৰন্থ। ভাৰতীয় ভাষা-সাহিত্য জগতলৈ আগবঢ়োৱা অপৰিসীম অৱদানৰ বাবে তেওঁক ১৯৯৭ চনত জ্ঞানপীঠ বঁটা, ১৯৯৬ চনত ৰমণ মেগাছেছে বঁটা আৰু ২০১০ চনত পদ্মবিভূষণ সন্মান প্ৰদান কৰা হয়।

## খুশৱন্ত সিঙৰ দেহাৱসান

আন্তঃৰাষ্ট্ৰীয় খ্যাতি-সম্পন্ন লেখক, সাংবাদিক খুশৱন্ত সিঙে যোৱা ২০ মাৰ্চ তাৰিখে ৯৯ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে। উচ্চ ৰসবোধ তথা ব্যংগাত্মক লেখাৰ বাবে পাঠকৰ মনত নিগাজি স্থান লাভ কৰা ঔপন্যাসিকগৰাকীৰ দিল্লীৰ সুজন সিং পাৰ্কস্থিত নিজা বাসভৱনত মৃত্যু ঘটে। কাব্যপ্ৰীতি আৰু উগ্ৰ ধৰ্মনিৰপেক্ষতাৰ বাবে খ্যাত এই লেখকগৰাকীৰ জন্ম হৈছিল বৰ্তমানৰ পাকিস্তানৰ হাডলি নামে ঠাইখনত ১৯১৫ চনৰ ২ ফেব্ৰুৱাৰিত। সিঙৰ সৰ্বাধিক জনপ্ৰিয় তথা ক্লাছিকৰূপে পৰিগণিত গ্ৰন্থৰ ভিতৰত 'ট্ৰেইন টু পাকিস্তান', 'আই শ্বেল নট হিয়াৰ দি নাইটিংগেল' আৰু 'ডেল্হী' অন্যতম। তেওঁৰ আত্মজীৱনী 'ট্ৰুথ লাভ এণ্ড এ লিটল মেলিচ' নামৰ গ্ৰন্থখন ২০০২ চনত পেংগুইন প্ৰকাশনে প্ৰকাশ কৰিছিল। '৭০ আৰু '৮০ৰ দশকত 'ইলাষ্ট্ৰেটেড উইকলী'কে ধৰি কেইবাখনো আগশাৰীৰ বাৰ্তালোচনীৰ উপৰি 'হিন্দুস্থান টাইমছ' আৰু 'নেছনেল হেৰাল্ড'ৰ দৰে প্ৰসিদ্ধ কাকতৰ সম্পাদনাতো জড়িত আছিল প্ৰসিদ্ধ এই লেখকগৰাকী। লগতে তেওঁৰ সম্পাদনাতে 'ইলাষ্ট্ৰেটেড উইকলী' অতি জনপ্ৰিয় হৈছিল। ১৯৮০ চনৰপৰা ১৯৮৬ চনলৈ তেওঁ ৰাজ্যসভাৰ সাংসদৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। ভাৰতীয় সৈন্য বাহিনীয়ে অমৃতসৰৰ স্বৰ্ণমন্দিৰত চলোৱা অভিযানৰ প্ৰতিবাদত তেওঁ পদ্মভূষণ সন্মান ১৯৮৪ চনত ওভোটাই দিছিল। টৰণ্টো আৰু কানাডাত ভাৰত চৰকাৰৰ তথ্য বিষয়াৰূপে নিযুক্ত সিঙে অসংখ্য চুটিগল্প, ৰচনা আদিৰ উপৰি ৩০ খনতকৈ বেছি উপন্যাস ৰচনা কৰি ৰসাত্মক আৰু ব্যংগাত্মক প্ৰকাশভংগীৰে লক্ষ লক্ষ ভাৰতীয়ৰ উপৰি বিশ্বৰ অন্য ৰাষ্ট্ৰৰ পাঠকৰ মনতো দকৈ সাঁচ বহুৱাবলৈ সক্ষম হৈছিল। নতুন দিল্লীৰ মডাৰ্ণ স্কুলত শিক্ষা গ্ৰহণ আৰম্ভ কৰি পাছলৈ ছেইণ্ট ষ্টিফেন্স কলেজ আৰু লণ্ডনৰ কিংছ কলেজত অধ্যয়ন কৰা সিঙে ইনাৰ টেম্পলত আইনো অধ্যয়ন কৰিছিল। তেওঁৰ অন্তিমখন গ্ৰন্থ 'দি গুড, দি বেড এণ্ড দি ৰিডিকুলাছ' যোৱা বছৰ অক্টʼবৰত প্ৰকাশ পোৱাৰ পিছতে তেওঁ লিখিবলৈ এৰি দিছিল।

## কুইজৰ উত্তৰসমূহ

১। ১৯০০ চনত ২। হেনৰি ডুৰাণ্ট ৩। ৱাৰেন হেষ্টিংছ ৪। মহাত্মা গান্ধীয়ে ৫। ৰেজিয়া চুলতানা ৬। ১৯৪৪ চনত ৭। নীল অʼব্ৰায়ান ৮। বেংগল গেজেট (১৭৮০) ৯। ছেʼণ্টহেলেনা ১০। ১৯২৯ চনৰ ১৬ মেʼ তাৰিখে ১১। ডেনিচ পেপিন ১২। (Dermatology ডাৰমʼটলʼজী) ১৩। মদন মোহন মালব্য ১৪। My Life and my Music ১৫। ৭ নং ৰাষ্ট্ৰীয় ঘাইপথ (২৩৬৯ কিমি. বাৰাণসীৰপৰা কন্যাকুমাৰীলৈ) ১৬। কমলা প্ৰসাদ আগৰৱালা ১৭। পদ্মনাথ গোহাঞি বৰুৱা ১৮। ১৯৭৪ চনত ১৯। লক্ষ্মীনাথ বেজবৰুৱা (১৯৬৮) ২০। গোপীনাথ বৰদলৈ (মৰণোত্তৰভাৱে ১৯৯৯) ২১। উত্তৰ প্ৰদেশ ২২। পুৰন্দৰ সিংহ ২৩। ভবেন্দ্ৰ নাথ শইকীয়া ২৪। পাৰ্বতী কুমাৰ গোস্বামী ২৫। ডʼ টালিমেৰন আও

## ড° কৈলাশ গোস্বামী আৰু ভবেশ মহন্তলৈ ৰাষ্ট্ৰীয় বিজ্ঞান বঁটা

কেন্দ্ৰীয় চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ তত্ত্বাৱধানত স্থাপিত বিজ্ঞান আৰু প্ৰযুক্তি সঞ্চাৰ পৰিষদে (চমুকৈ NCSTC) ১৯৮৭ চনৰপৰা বিজ্ঞান জনপ্ৰিয়কৰণৰ ক্ষেত্ৰত বিশিষ্ট অৱদান আগবঢ়োৱা ব্যক্তি বা প্ৰতিষ্ঠানক ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰি আহিছে। ২০১৩ বৰ্ষৰ বাবে অসমৰ দুজন ব্যক্তিয়ে দুটা শাখাত এই ৰাষ্ট্ৰীয় সন্মান লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। এখেতসকল হ'ল—অধ্যাপক ড° কৈলাশ চন্দ্ৰ গোস্বামী আৰু ভবেশ মহন্ত।

ড° কৈলাশ চন্দ্ৰ গোস্বামী বি. বৰুৱা মহাবিদ্যালয়ৰ গণিত বিভাগৰ প্ৰাক্তন অধ্যাপক। তেখেত ব্যৱহাৰিক গণিতৰ প্ৰদৰ্শনী, আৰ্হি, গণিতৰ যাদু আদি পদ্ধতিৰে গণিতক অধিক মনোগ্ৰাহী কৰি তোলাসকলৰ ভিতৰত অন্যতম। গণিত বিষয়ৰ শিক্ষণ-শিকন প্ৰণালীত অহৰহ নীৰৱ সাধকৰূপে গণিতৰ জনপ্ৰিয়কৰণত সেৱা আগবঢ়োৱা বাবেই তেখেতলৈ ভাৰত চৰকাৰে এই সন্মান আগবঢ়াইছে।

ভবেশ মহন্ত হ'ল অসম চৰকাৰৰ জলসিঞ্চন বিভাগৰ অভিযন্তা। তেখেত বিজ্ঞানৰ প্ৰচাৰ আৰু প্ৰসাৰৰ এজন নিৰৱচ্ছিন্ন সাধক। বিজ্ঞান বিষয়ৰ কিতাপ আৰু আলোচনীকে ধৰি ছপা মাধ্যমৰ জৰিয়তে বিজ্ঞান জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা অৰিহনাৰ বাবেই মহন্তই এই ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছে। ❍

■ **সংগ্ৰহ : কুশল গোস্বামী**

## অৰুণা মুৰ্খাজী : এক অনুকৰণীয় ব্যক্তিত্ব

অৰুণা মুখাৰ্জী। গুৱাহাটীৰ পল্টন বজাৰ নিৱাসী, ৯৭ বছৰ গৰকা এগৰাকী মহিলা। এইগৰাকী মহিলাৰ মহানুভৱতা আজিৰ সমাজৰ বাবে বিৰল দৃষ্টান্ত হিচাপে পৰিচিত হৈছে। সমাজৰ এচাম বুভুক্ষু, আৰ্তলোকৰ কাষত থিয় দি এইগৰাকী মহিলাই নীৰৱে আগবঢ়াই আহিছে সহায়ৰ হাত। ১৯৭০ চনৰপৰাই তেওঁ যদুলাল মুখাৰ্জী ইংলিছ স্কুলৰ উপৰি সংগীত, পেইণ্টিং আৰু চিলাইৰ স্কুল আৰম্ভ কৰি সমাজৰ দৰিদ্ৰ শিক্ষাৰ্থীসকলক সম্পূৰ্ণ বিনামূলীয়াকৈ শিক্ষা প্ৰদান কৰি আহিছে। তেওঁৰ প্ৰতিষ্ঠানত শিক্ষা গ্ৰহণ কৰা অনেক শিক্ষাৰ্থী ইতিমধ্যে স্বাৱলম্বী হৈছে। মানৱহিতৈষী এইগৰাকী মহিলাই পথৰ কাষত পৰি ৰোৱা ভিক্ষাৰীসকলক কম্বল, চোলা আদি বিতৰণ কৰিও সহমৰ্মিতা প্ৰদৰ্শন কৰি আহিছে। বংগ বিভাজনৰ সময়ত চিলেটকে ধৰি বাংলাদেশৰ বিভিন্ন প্ৰান্তৰপৰা পলাই অহা ভগনীয়াসকলৰ দুৰৱস্থা সহ্য কৰিব নোৱাৰি অৰুণা মুখাৰ্জীয়ে নিজৰ ভাগৰ ভাতকে আগবঢ়াই দিছিল। বিগত দহ বছৰে কেইবাটাও পৰিয়ালক অন্নদান কৰি সন্তুষ্টি লভা অৰুণা মুখাৰ্জীয়ে যোৱা ৫২টা বছৰে ভাতৰ পৰিৱৰ্তে গ্ৰহণ কৰি আহিছে চাহ-বিস্কুট আৰু ফলমূল। শ্ৰীমতী মুখাৰ্জীৰ মহানুভৱতাক সন্মান জনোৱাৰ উদ্দেশ্যে অসম চৰকাৰে ৬২তম গণৰাজ্য দিৱসত তেখেতৰ বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে।

কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ, প্ৰয়াত যদুলাল মুখাৰ্জীৰ পত্নী অৰুণা মুখাৰ্জীৰ আদৰ্শ, ত্যাগ আৰু মহানুভৱতা সঁচাকৈয়ে অনুকৰণীয়। ❍

## তোমালোকে জানানে?

- পৃথিৱীৰ আটাইতকৈ ওখ স্থানত থকা ক্ৰিকেট খেলপথাৰখন হিমাচল প্ৰদেশৰ চেইলত (Chail) অৱস্থিত। এই খেলপথাৰখন এখন পাহাৰৰ ওপৰভাগ সমান কৰি ১৮৯৩ চনত সাজি উলিওৱা হৈছিল। সাগৰপৃষ্ঠৰপৰা ইয়াৰ উচ্চতা ২৪৪৪ মিটাৰ।

(২০ ফেব্ৰুৱাৰিৰপৰা ২০ মাৰ্চলৈ)

**১৯ ফেব্ৰুৱাৰি** : অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এন কিৰণ কুমাৰ ৰেড্ডীৰ পদত্যাগ।

- ৰিজাৰ্ভ বেংকৰ প্ৰতিবেদনত প্ৰকাশ : অসমৰ প্ৰতিজন ব্যক্তিৰ ওপৰত ১১,৪৪৮ টকাকৈ ঋণৰ বোজা।

**২০ ফেব্ৰুৱাৰি** : দেশৰ ২৯ সংখ্যক ৰাজ্য হ'ল তেলেংগানা।

- অসমত আই আই আই টি (Indian Institute of Information Technology) স্থাপনত কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন।
- ১৯ বিলিয়ন ডলাৰত ফেচবুকৰদ্বাৰা হোৱাট্‌ছ-এপ ক্ৰয়। সমগ্ৰ বিশ্বজুৰি হোৱাট্‌ছ-এপ ব্যৱহাৰকাৰী প্ৰায় ৪৫০ নিযুত আৰু দৈনিক ই বৃদ্ধি হৈ গৈ আছে।

**২১ ফেব্ৰুৱাৰি** : অৰবিন্দ কেজৰিৱালে প্ৰকাশ কৰিলে অনিল আম্বানি, মুকেশ আম্বানিৰ ছুইছ বেংকৰ একাউণ্ট নম্বৰ।

- মহাত্মা গান্ধীৰ নাতি ৰাজমোহন গান্ধীৰ আম আদমি পাৰ্টিত যোগদান।

**২৩ ফেব্ৰুৱাৰি** : কীৰ্তন-ঘোষাৰ বাংলা অনুবাদ উন্মোচন। অনুবাদক জ্যোতিষ কুমাৰ দেৱ।

**২৫ ফেব্ৰুৱাৰি** : ভাৰতত ইচ্ছা মৃত্যুক বৈধ কৰাৰ বিষয়টো উচ্চতম ন্যায়ালয়ৰদ্বাৰা পাঁচজন বিচাৰকৰ সাংবিধানিক পীঠলৈ প্ৰেৰণ।

**২৬ ফেব্ৰুৱাৰি** : নৌ সেনাধ্যক্ষ এডমিৰেল ডি কে যোশীৰ পদত্যাগ।

- পেৰামটৰ্ছেৰে আকাশত উৰি চমক সৃষ্টি গুৱাহাটীৰ এজন যুৱকৰ। নাম হেমৰাম বৰা। তেওঁ প্ৰাইভেট পাইলট লাইচেন্সপ্ৰাপ্ত।

**২ মাৰ্চ** : প্ৰথমবাৰৰ বাবে অসম সাহিত্য সভাৰ মহাশ্বেতা দেৱীলৈ মামণি ৰয়ছম গোস্বামী বঁটা প্ৰদান।

**৪ মাৰ্চ** : গৃহবিভাগৰ ঘোষণা : ভাৰতৰ ২৯তম ৰাজ্য তেলেংগানা জুনৰ দুই তাৰিখৰপৰা পৃথক ৰাজ্য হিচাপে কাৰ্যকৰী হ'ব।

- দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শীলা দীক্ষিতক কেৰালাৰ ৰাজ্যপাল হিচাপে নিযুক্তি।
- বিশ্বৰ সবাতোকৈ ধনী ব্যক্তিৰূপে পুনৰবাৰ পৰিগণিত হৈছে মাইক্ৰ'চফ্‌টৰ সহ-প্ৰতিষ্ঠাপক বিল গেইটছ। সবাতোকৈ ধনী ভাৰতীয়ৰ তালিকাৰ শীৰ্ষস্থানত আছে মুকেশ আম্বানি।

**৫ মাৰ্চ** : নিৰ্বাচন আয়োগৰ ঘোষণা : অসমত লোকসভা নিৰ্বাচন এপ্ৰিল মাহৰ ৭, ১২ আৰু ২৪ তাৰিখে তিনিটা স্তৰত অনুষ্ঠিত হ'ব। ১৪ জন সাংসদ নিৰ্বাচনৰ কাৰণে অনুষ্ঠিত হ'বলগীয়া এই নিৰ্বাচনত এইবাৰ অসমৰ ভোটাৰ হ'ল ১.৮৭ কোটি।

**৭ মাৰ্চ** : অসম সাহিত্য সভাৰ ঘোষণা : ৰাধাগোবিন্দ বৰুৱালৈ মৰণোত্তৰভাৱে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা বঁটা।

**১০ মাৰ্চ** : চেণ্টাৰ ফৰ মিডিয়া ষ্টাডিজৰ (Centre for Media Studies) প্ৰতিবেদন : আমেৰিকাৰ দৰে ব্যয়বহুল হৈছে ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়া। এইবাৰ নিৰ্বাচনত প্ৰায় ৩০,০০০ কোটি টকা খৰচ কৰাৰ সম্ভাৱনা আছে।

**১৩ মাৰ্চ** : বিশিষ্ট উদ্ভাৱক উদ্ধৱ ভৰালীলৈ অসম কৃষি বিশ্ববিদ্যালয়ৰ সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান।

**১৭ মাৰ্চ** : ক্ৰিমিয়াৰ (Crimea) গণভোট। ৯৩% ভোটাৰে ইউক্ৰেইনৰপৰা (Ukraine) বিচ্ছিন্ন হৈ ৰাছিয়াৰ লগত থাকিবলৈ মতদান কৰে।

- আন্তঃৰাষ্ট্ৰীয় ধান গৱেষণা কেন্দ্ৰ, মানিলাৰ (International Rice Research Institute, Manila) পদাধিকাৰীৰ অসম ভ্ৰমণ। বানপানীয়ে ক্ষতি কৰিব নোৱৰা বিভিন্ন প্ৰজাতিৰ ধানৰ ব্যৱহাৰত অসমৰ খেতিয়কক প্ৰযুক্তিগত সহায় কৰাৰ প্ৰতিশ্ৰুতি।
- সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট গৱেষক, নৃত্যৰত্ন তথা বিদগ্ধ পণ্ডিত, সত্ৰীয়া নৃত্য পৰম্পৰাৰ প্ৰথমগৰাকী ডক্টৰেট ড° জগন্নাথ মহন্তৰ পৰলোকপ্ৰাপ্তি। তেখেতৰ বিখ্যাত গৱেষণামূলক গ্ৰন্থখন হ'ল— The Satriya Dances of Assam–A Critical and Analytical Study.।

**সংগ্ৰহ : জয়ন্ত ডেকা**

# বিশিষ্ট চিকিৎসক পদ্মশ্ৰী ডাঃ সৰ্বেশ্বৰ চহৰীয়া

■ কমলজ্যোতি ডেকা



যিসকল লোকে বৰ্ণময় কৰ্মজীৱনেৰে নিজকে সুপ্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছে তেনে এজন ব্যক্তি হ'ল ডাঃ সৰ্বেশ্বৰ চহৰীয়া। তেখেতৰ জন্ম হৈছিল ১৯৪৫ চনৰ ১ এপ্ৰিল তাৰিখে অসমৰ দৰং জিলাৰ মংগলদৈত। ১৯৬১ চনত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত তেখেতে জীৱবিজ্ঞান বিষয়টোত অসমৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰে। চিকিৎসাবিজ্ঞান অধ্যয়নৰ বাবে তেখেতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত নামভৰ্তি কৰে। এম. বি. বি. এছৰ (MBBS) চূড়ান্ত পৰীক্ষাত ডাং চহৰীয়াই গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰতে চতুৰ্থ স্থান লাভ কৰি উত্তীৰ্ণ হয়। তাৰ পিছত ডাঃ চহৰীয়াই চণ্ডীগড়স্থিত প'ষ্ট গ্ৰেজুৱেট ইন্সটিটিউট অব মেডিকেল এডুকেচন এণ্ড ৰিছাৰ্চ (Post Graduate Institute of Medical Education and Research)ৰপৰা এমএছ ডিগ্ৰী লাভ কৰে। এই পৰীক্ষাত তেখেতে ব্ৰ'ঞ্জৰ পদক পায়।

১৯৭৩ চনত প'ষ্ট গ্ৰেজুৱেট ইন্সটিটিউট অব মেডিকেল এডুকেচন এণ্ড ৰিছাৰ্চ, চণ্ডীগড়ত প্ৰথমবাৰৰ বাবে 'বৃক্ক সংৰোপণ' (Kidney Transplant) কাৰ্যসূচী সফলভাৱে ৰূপায়ণ হয়। এই কাৰ্যত ডাঃ চহৰীয়া প্ৰত্যক্ষভাৱে জড়িত আছিল। তাৰ পিছৰেপৰা বিশিষ্ট চিকিৎসকগৰাকীয়ে বৃক্ক সংৰোপণ বিষয়টোৰ বিকাশ সাধনত নিজকে ব্ৰতী কৰে। ডাঃ চহৰীয়াই ১৯৮১ চনত হায়দৰাবাদস্থিত ওচমানিয়া বিশ্ববিদ্যালয়ৰ (Osmania Unversity) অংগ সংৰোপণ কেন্দ্ৰৰ (Organ Transplantation Centre) মুৰব্বী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। ওচমানিয়া বিশ্ববিদ্যালয়ত যোগদান কৰিয়েই ১৯৮১ চনৰ মে' মাহত ডাঃ চহৰীয়াই অন্ধ্ৰপ্ৰদেশত প্ৰথমটো বৃক্ক সংৰোপণ অস্ত্ৰোপচাৰ সফলভাৱে ৰূপায়ণ কৰে। তেতিয়াৰপৰা বৰ্তমান সময়লৈ তেখেত এই ক্ষেত্ৰত নিৰৱচ্ছিন্নভাৱে জড়িত হৈ আছে। ডাঃ চহৰীয়াই প্ৰায় ৩০০০তকৈও বেছি এনেকুৱা অস্ত্ৰোপচাৰ সফলভাৱে সমাপন কৰিছে, যিটো দেশৰ ভিতৰতে সৰ্বাধিক।

ডাঃ চহৰীয়াৰ একক প্ৰচেষ্টাত যোৱা তিনিটা দশকত অসম আৰু অন্ধ্ৰপ্ৰদেশত অংগ সংৰোপণৰ ক্ষেত্ৰখনত বিশেষভাৱে উন্নতি সাধন হৈছে। ১৯৯২ চনৰপৰা ১৯৯৫ চনৰ ভিতৰত ডাঃ চহৰীয়াই অসমৰ গুৱাহাটী আৰু ডিব্ৰুগড়ত প্ৰথম ১০টা বৃক্ক সংৰোপণ অস্ত্ৰোপচাৰ সফলভাৱে ৰূপায়ণ কৰিছে। তেখেতেই ২০০০ চনত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ৰেনেল ট্ৰেন্সপ্লেণ্ট প্ৰগ্ৰাম (Renal Transplant Programme) আৰম্ভ কৰে। সেইদৰে গুৱাহাটীস্থিত 'ডাউন-টাউন হস্পিটাল' আৰু 'ইণ্টাৰনেছনেল হস্পিটাল'তো তেখেতেই উক্ত কাৰ্যসূচী ৰূপায়ণত মুখ্য ভূমিকা গ্ৰহণ কৰে। ডাং চহৰীয়াৰ এই দিশত এটা অন্যতম উল্লেখযোগ্য কাম হ'ল—দেশৰ ভিতৰতে প্ৰথমটো লেপৰ'স্কপিক ডনৰ' নেফ্ৰেক্ট'মি (Laparoscopic Donor Nephrectomy) সম্পন্ন কৰা।

ডাঃ সৰ্বেশ্বৰ চহৰীয়াৰ কৃতিত্ব যে কেৱল মাত্ৰ নিজ দেশৰ ভিতৰতে সীমাবদ্ধ তেনে নহয়। আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটতো এইজনা মহান চিকিৎসকৰ অৰিহনা মন কৰিবলগীয়া। ডাঃ চহৰীয়াই দেশৰ বাহিৰত অনুষ্ঠিত হোৱা অংগ সংৰোপণ বিষয়ৰ বিভিন্ন সন্মিলনতো অংশ গ্ৰহণ কৰিছে।

চিকিৎসা ক্ষেত্ৰত আগবঢ়োৱা সেৱাৰ বাবে ভাৰত চৰকাৰে ডাঃ সৰ্বেশ্বৰ চহৰীয়াক ২০১৪ বৰ্ষত পদ্মশ্ৰী উপাধিৰে সন্মানিত কৰে। ❍

# চুটিগল্পলৈ ন'বেল বঁটা অনা এলিচ মুনৰো

■ লিপিমণি দত্ত



'তেওঁ খুব সুন্দৰকৈ গল্প ক'ব জানে। তেওঁৰ গল্পৰ বিষয়বস্তু সুস্পষ্ট আৰু বাস্তৱবাদী। সেইবাবে অনেকেই তেওঁক কানাডাৰ চেখভ বুলি অভিহিত কৰে।' কিন্তু আচলতে 'তেওঁ সমকালীন চুটিগল্পৰ ওজা।' ২০১৩ বৰ্ষত সাহিত্যৰ ন'বেল বঁটা ঘোষণা কৰি চুইডিছ ন'বেল কমিটিয়ে যাৰ বিষয়ে এই মন্তব্য কৰিছিল তেৱেঁ এলিছ মুনৰো (Alice Munro)— Master of contemporary short story। সাহিত্যৰ বাবে ন'বেল সন্মান লাভ কৰা প্ৰথমগৰাকী কানাডিয়ান লেখিকা।

১৯৩১ চনৰ ১০ জুলাইত কানাডাৰ অণ্টাৰিঅ' প্ৰদেশৰ উইংহাম অঞ্চলত জন্ম লাভ কৰিছিল এলিচ মুনৰোৱে। এক শান্ত গ্ৰাম্য পৰিৱেশত ডাঙৰ-দীঘল হোৱা মুনৰোৱে ১১ বছৰ বয়সতে সংকল্প গ্ৰহণ কৰিছিল— ডাঙৰ হৈ এগৰাকী ডাঙৰ লেখিকা হোৱাৰ। তাৰ পিছৰপৰাই আৰম্ভ কৰিবলৈ লৈছিল সাহিত্য চৰ্চা। জীৱনৰ ৩৭ বছৰ বয়সত এলিচ মুনৰোৰ প্ৰথমখন গল্প সংকলন প্ৰকাশ পাইছিল—ডেন্স অৱ দ্যা হেপী শ্বেদছ (Dance of the Happy Shades, ১৯৬৮)। তাৰ পিছত অব্যাহত থাকিল নিৰন্তৰ গল্প চৰ্চা। প্ৰথমখন গল্প সংকলন প্ৰকাশৰ ৪৩ বছৰৰ পিছত, জীৱনৰ ৮২ বছৰ বয়সত মুনৰোলৈ আহিল সাহিত্যৰ বিৰল আৰু সৰ্বশ্ৰেষ্ঠ পুৰস্কাৰ—সাহিত্যৰ ন'বেল বঁটা। ইয়াৰ লগে লগে চুটিগল্পই লাভ কৰিলে এক আন্তৰ্জাতিক স্বীকৃতি। কিয়নো প্ৰথমবাৰৰ বাবে সাহিত্যৰ অন্যতম প্ৰধান শাখা চুটিগল্পই লাভ কৰিলে ন'বেল বঁটা। অৱশ্যে ন'বেল বঁটা লাভৰ পূৰ্বে ২০০৯ চনত মুনৰোৱে লাভ কৰিছিল বিশ্বসাহিত্যৰ আন এক খ্যাতনামা সন্মান মেন বুকাৰ বঁটা।

প্ৰতিশ্ৰুতি আৰু সম্ভাৱনা প্ৰকাশ পাইছিল মুনৰোৰ প্ৰথমখন গল্প সংকলনতে। সেইবাবে স্বীকৃতিও আহিছিল। ১৯৬৮ চনত প্ৰথমখন গল্প সংকলন—ডেন্স অৱ দ্যা হেপী শ্বেদছ প্ৰকাশ হোৱাৰ লগে লগে মাতৃভূমিত ব্যাপক সমাদৰ লাভ কৰিছিল গ্ৰন্থখনে। লগতে গৱৰ্ণৰ জেনেৰেল বঁটাও যঁচা হৈছিল গ্ৰন্থখনলৈ। ইয়াৰ তিনিবছৰ পিছত তেওঁ Lives of Girls and Women নামৰ আন এখন গল্প সংকলন প্ৰকাশ কৰে। চুটিগল্প চৰ্চাৰ ৪৩ বছৰীয়া পৰিক্ৰমাত তেওঁ প্ৰকাশ কৰা আন আন উল্লেখনীয় গল্প সংকলন হ'ল—হু দু ইউ থিংক ইউ আৰ (Who Do You Think You Are?, ১৯৭৮), দ্যা মুনছ অৱ জুপিতাৰ (The Moons of Jupitar, ১৯৮২), হেটশ্বীপ, ফ্ৰেণ্ডশ্বীপ, ক'ৰ্টশ্বীপ, লাভশ্বীপ, মেৰেজ (Hateship, Friendship, Courtship, Loveship, Marriage, ২০০১), ৰান এৱে (Runaway, ২০০৯), দ্যা ভিউ ফ্ৰম কেচল ৰক (The view from castle Rock, ২০০৬), টু মাশ্ব হেপীনেছ (Too Much Happiness, ২০০৯) আৰু ডিয়েৰলাইট (Dearlite, ২০১২)। এলিচ মুনৰোৰ বেছিভাগ গল্পতে পৰিস্ফুট হৈছে কানাডাৰ গ্ৰামাঞ্চলৰ পৰিৱেশ।

মুনৰোৰ ৮২ বছৰীয়া জীৱনটোত সাহিত্যিক জীৱনৰ সমান্তৰালকৈ সাংসাৰিক জীৱনো প্ৰচুৰ ঘটনাবহুল। অণ্টাৰিঅ' বিশ্ববিদ্যালয়ত সাংবাদিকতা আৰু ইংৰাজী সাহিত্যৰ ছাত্ৰী হৈ থকা সময়তে তেওঁ পৰিচিত হৈছিল জেমছ মুনৰোৰ সৈতে। ১৯৫১ চনত জেমছ মুনৰোৰ সৈতে বিবাহত বহাৰ পাছত সংসাৰৰ লগতে সাহিত্য চৰ্চাও অব্যাহত ৰাখিছিল। তিনিটা সন্তানৰ মাতৃ হোৱাৰ পাছত ১৯৭২ চনত তেওঁলোকৰ বিচ্ছেদ ঘটে। ১৯৭৬ চনত জেৰাল্ড ফ্ৰেমলিনৰ (Gerald Fremlin) সৈতে তেওঁ দ্বিতীয়বাৰৰ বাবে বিবাহপাশত আবদ্ধ হয়। সম্প্ৰতি শৈশৱৰ চহৰ দক্ষিণ অণ্টাৰিঅ'ৰ সমীপৰ ক্লিণ্টনত বাস কৰি আছে এলিচ মুনৰোৱে। ○

# ন'বেল বঁটা

■ নিবেদিতা তালুকদাৰ

আমি সকলোৱে বিশ্ববিখ্যাত ন'বেল বঁটাৰ বিষয়ে জানো। প্ৰত্যেক বছৰে পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান, চিকিৎসাবিজ্ঞান, সাহিত্য, শান্তি আৰু অৰ্থনীতিৰ ক্ষেত্ৰত উল্লেখনীয় কৃতিত্ব আৰু সাফল্যৰ বাবে ন'বেল বঁটা আগবঢ়োৱা হয়। আলফ্ৰেড ন'বেল নামৰ ব্যক্তি এগৰাকীৰ ইচ্ছা অনুসৰি তেওঁৰ নামেৰেই এই বঁটা আগবঢ়োৱা হয়।

আলফ্ৰেড ন'বেলৰ জন্ম হৈছিল ১৮৩৩ চনৰ অক্ট'বৰ মাহৰ ২১ তাৰিখে ছুইডেনৰ ষ্টকহ'মত। আলফ্ৰেড ন'বেল এগৰাকী ৰসায়নবিদ, অভিযন্তা, উদ্যোগপতি, লেখক আৰু 'ডাইনামাইট'ৰ (Dynamite) আৱিষ্কাৰক আছিল। ভাষাৰ ওপৰতো তেওঁৰ বিশেষ দখল আছিল আৰু তেওঁ ইংৰাজী, জাৰ্মান, ফৰাছী আৰু ৰাছিয়ান ভাষা খুব ভালদৰে ক'ব পাৰিছিল। ১৮৫৯ চনত আলফ্ৰেডে ষ্টকহ'মত নাইট্ৰ'গ্লিচাৰিন প্ৰস্তুত কৰা এটা কাৰখানা স্থাপন কৰিলে। বিস্ফোৰক পদাৰ্থ প্ৰস্তুতকৰণত নাইট্ৰ'গ্লিচাৰিন ব্যৱহাৰ কৰা হয় আৰু ইয়াক সংৰক্ষণ কৰাটো সহজ নাছিল। ১৮৬৪ চনত বিস্ফোৰণ হৈ তেওঁৰ কাৰখানাৰ বহুতো মানুহ মৃত্যুমুখত পৰে আৰু এই বিস্ফোৰণতে তেওঁ তেওঁৰ ভাতৃক চিৰদিনৰ বাবে হেৰুৱায়। এই দুৰ্ঘটনাত তেওঁ নিৰাশ নহৈ পুনৰ নতুন উদ্যমেৰে আন এটা কাৰখানা স্থাপন কৰে আৰু 'ডাইনামাইট' নামৰ বিস্ফোৰক পদাৰ্থ এবিধ আৱিষ্কাৰ কৰে।

সেই সময়ত ডাইনামাইট ব্যৱহাৰ কৰি বহুতো ডাঙৰ ডাঙৰ শিল ভাঙিবপৰা গৈছিল আৰু লাহে লাহে 'ডাইনামাইট'ৰ চাহিদা বাঢ়ি গৈছিল। ফলত আলফ্ৰেডৰ ব্যৱসায়ৰ প্ৰসাৰ ঘটিছিল আৰু তেওঁ প্ৰচুৰ ধন-সম্পত্তিৰ অধিকাৰী হৈছিল। বিস্ফোৰক পদাৰ্থৰ কাৰখানা স্থাপন কৰা বাবে সেই সময়ত তেওঁক বহুতে 'মৃত্যুৰ সদাগৰ' বুলিও কৈছিল।

তেওঁৰ বন্ধুৰ সংখ্যা খুব কম আছিল আৰু তেওঁ অবিবাহিত আছিল। কেবাদিনো ধৰি মগজুৰ ৰক্তক্ষৰণ ৰোগত ভুগি থকা আলফ্ৰেডে ১৮৯৬ চনৰ ১০ ডিছেম্বৰৰ দিনা মৃত্যুমুখত পৰে। তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ শেষ ইচ্ছাপত্ৰ পঢ়ি সকলোৱে চকু কপালত উঠিল আৰু এয়াই ন'বেল বঁটাৰ আৰম্ভণি।

আলফ্ৰেড ন'বেলৰ শেষ ইচ্ছাপত্ৰ অনুসৰি তেওঁৰ সম্পত্তিৰ শতকৰা ৯৪ ভাগ খৰচ কৰা হ'ব পাঁচটা বিশেষ পুৰস্কাৰ প্ৰদানেৰে। এই পুৰস্কাৰৰ বিষয়সমূহ হ'ল— পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান, চিকিৎসাশাস্ত্ৰ, সাহিত্য আৰু শান্তি। উক্ত প্ৰতিটো বিষয়তে বিশেষভাৱে ব্যুৎপত্তি লাভ কৰি মানৱ জাতিৰ কল্যাণৰ বাবে অহোপুৰুষাৰ্থ কৰা ব্যক্তি বা সংগঠনক এই পুৰস্কাৰ প্ৰদান কৰা হ'ব। উল্লেখ্য যে ন'বেলৰ এই সম্পত্তিৰ সিংহভাগেই আছিল ডাইনামাইটৰ ব্যৱসায়ৰ পৰা অহা। ইচ্ছাপত্ৰত থকা আসোঁৱাহসমূহ আঁতৰ কৰি আলফ্ৰেড ন'বেলৰ শেষ ইচ্ছা বাস্তৱায়িত কৰিবলৈ প্ৰায় ৫ বছৰ সময় লাগিল আৰু ১৯০১ চনৰ ১০ ডিছেম্বৰৰ দিনা প্ৰথম ন'বেল বঁটা প্ৰদান কৰা হয়। ১৯০১ চনৰ ন'বেল বঁটা লাভ কৰা ব্যক্তিকেইগৰাকী হ'ল—

ৰসায়নবিজ্ঞান : জেক'বাচ এইচ ভন্টহফ (Jacobus H. Vanthoff), পদাৰ্থবিজ্ঞান : ৱিলহেল্ম চি ৰণ্টজেন (Willelm C. Rontgen), চিকিৎসাবিজ্ঞান : ইমিল এ ভন বেহৰিং (Emil A. Von Behring), সাহিত্য : ৰেনে এফ.এ. প্ৰুধোম (Rene F.A. Prudhomme), শান্তি : জিন এইচ ডুনাণ্ট (Jeon H. Dunant) আৰু ফ্ৰেডেৰিক পাচী (Frederic Passy)।

**ন'বেল বঁটাৰ বিষয়ে কিছু তথ্য :**

- আলফ্ৰেডে ন'বেল বঁটাৰ বাবে প্ৰায় ২৬৫ নিযুত ডলাৰ (বৰ্তমান ১ ডলাৰ = ৬১ টকা) মূল্যৰ সম্পত্তি এৰি থৈ গৈছিল।

- ১৯০১ চনৰপৰা প্ৰত্যেক বছৰতে ন'বেল বঁটা প্ৰদান কৰা হোৱা নাই, বিশেষকৈ প্ৰথম আৰু দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত।
- ১৯৬৯ চনৰপৰা অৰ্থনীতি বিষয়ত ন'বেল বঁটা প্ৰদান কৰা হয়।
- প্ৰত্যেক বছৰত প্ৰতিটো বিষয়ত খুব বেছি তিনিজন ব্যক্তি অথবা অনুষ্ঠানকহে পুৰস্কৃত কৰা হয়।
- প্ৰতিটো বঁটাতে এটা সোণৰ পদক, এখন অভিনন্দন পত্ৰ আৰু কিছু ধন দিয়া হয়।
- যদি এটা বিষয়ত একাধিক ব্যক্তিক এই বঁটা প্ৰদান কৰে তেন্তে ধনখিনি তেওঁলোকৰ মাজত সমানে ভগাই দিয়া হয়।
- প্ৰত্যেক বছৰত প্ৰতিটো বিষয়ত এই বঁটাৰ বাবে ১০০ ৰপৰা ২৫০ৰ ভিতৰত আবেদন পোৱা যায়।
- যদি কোনো ব্যক্তিয়ে এই বঁটাৰ বাবে নিজে আবেদন কৰে তেনে আবেদন গ্ৰহণযোগ্য নহয়।
- মৃত ব্যক্তিক এই বঁটা প্ৰদান কৰা নহয়, কিন্তু কোনো ব্যক্তিৰ নাম ঘোষণা কৰাৰ পিছত যদি মৃত্যু হয় তেন্তে তেওঁক মৰণোত্তৰভাৱে এই বঁটা প্ৰদান কৰা হয়।
- বহুতো ন'বেল বঁটা বিজয়ীয়ে এই বঁটা গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছে। ❍

# ভাৰতৰ প্ৰথম সাধাৰণ নিৰ্বাচন

স্বাধীন ভাৰতৰ প্ৰথম সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈছিল ১৯৫১ চনৰ ২৫ অক্টʼবৰৰপৰা ১৯৫২ চনৰ ২১ ফেব্ৰুৱাৰিলৈ। দেশৰ ২৬ খন প্ৰদেশত ৪০১টা সমষ্টিৰ ৪৮৯ খন আসনৰ বাবে সেই নিৰ্বাচন অনুষ্ঠিত হয়। সেই সময়ত ৩১৪টা সমষ্টিত এখনকৈ আসন থকাৰ বিপৰীতে ৮৬টা সমষ্টিত দুখনকৈ আসন আৰু মাত্ৰ এটা সমষ্টিত ৩খন আসন আছিল। ১৯৬০ৰ দশকত এটা সমষ্টিৰ বিপৰীতে একাধিক আসন থকা ব্যৱস্থাটো নাইকিয়া কৰা হয়। প্ৰায় চাৰিমাহ ধৰি চলা প্ৰথম সাধাৰণ নিৰ্বাচনযোগে ভাৰতৰ গণতন্ত্ৰই এক বৃহৎ জঁপ মাৰিবলৈ সক্ষম হৈছিল। এই নিৰ্বাচন আছিল বিশ্বৰ ভিতৰতে গণতন্ত্ৰৰ ক্ষেত্ৰত এক বৃহৎ পৰীক্ষা। সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটদানৰ অধিকাৰৰ জৰিয়তে ২১ বছৰ বয়স তথা তাৰ উৰ্দ্ধৰ সকলোকে মত প্ৰদানৰ সুযোগ দিয়া হৈছিল। মুঠ ১৭৩ নিযুত ভোটাৰ সেই সময়ত ভাৰতত আছিল আৰু অধিকাংশই দুখীয়া, অশিক্ষিত আৰু গ্ৰাম্য অঞ্চলৰ লোক আছিল। এই নিৰ্বাচনত ২,২৪,০০০ ভোট গ্ৰহণ কেন্দ্ৰত ভোটদানৰ ব্যৱস্থা কৰা হৈছিল। প্ৰায় এহাজাৰ ভোটাৰৰ বিপৰীতে আছিল মাত্ৰ এটা ভোটগ্ৰহণ কেন্দ্ৰ। প্ৰথম ভোটগ্ৰহণ কৰা হৈছিল হিমাচল প্ৰদেশৰ চিনিত নামৰ ঠাইত ২৫ অক্টʼবৰ তাৰিখে। এই নিৰ্বাচনত বেলট পেপাৰ ব্যৱহাৰ হৈছিল ৬২ কোটি খন আৰু প্ৰায় দহ লাখ নিৰ্বাচন কৰ্মীয়ে এই নিৰ্বাচনৰ তদাৰক কৰিছিল। সামগ্ৰিকভাৱে নিৰ্বাচন পৰিচালনা কৰিছিল ভাৰতৰ নিৰ্বাচন আয়োগে।

এই সাধাৰণ নিৰ্বাচনত ভাৰতীয় জাতীয় কংগ্ৰেছ দলে মুঠ ৪৮৯ খন আসনৰ ৩৬৪ খন আসন দখল কৰি ক্ষমতালৈ আহিছিল। মুঠ প্ৰদান হোৱা ভোটৰ ৪৫ শতাংশ ভোট এই দলটোৱে লাভ কৰিছিল। লোকসভাৰ বাবে ৪৮৯ খন আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছিল ১৮২৩ গৰাকী প্ৰাৰ্থীয়ে। সৰু-বৰ মুঠ ৭৫টা ৰাজনৈতিক দলে অংশগ্ৰহণ কৰা এই নিৰ্বাচনত কমিউনিষ্ট পাৰ্টি অব ইণ্ডিয়াই ১৬ খন আসন লাভ কৰি কংগ্ৰেছৰ পিছতে দ্বিতীয় বৃহত্তম দলৰূপে স্বীকৃত হৈছিল। প্ৰথম সাধাৰণ নিৰ্বাচনত পৰাজয়বৰণ কৰাসকলৰ অন্যতম আছিল সংবিধান প্ৰণেতা বি আৰ আম্বেদকাৰ। তেওঁ জৱাহৰলাল নেহৰুৰ মন্ত্ৰীসভাৰপৰা পদত্যাগ কৰি 'অনুসূচিত জাতি পৰিষদ' গঠন কৰি বোম্বে সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰি অখ্যাত প্ৰাৰ্থীৰ হাতত পৰাজিত হৈছিল।

সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈ যোৱাৰ পিছত প্ৰথম লোকসভা গঠন হয় ১৯৫২ চনৰ এপ্ৰিল মাহৰ ১৭ তাৰিখে আৰু ই ১৯৫৭ চনৰ ৪ এপ্ৰিল পৰ্যন্ত কাৰ্যনিৰ্বাহ কৰে। প্ৰথম লোকসভাৰ অধ্যক্ষৰূপে নিৰ্বাচিত হৈছিল জি ভি মাভালংকাৰ। ❍

অসমৰ বৰেণ্য সাহিত্যিক

# মাধৱ কন্দলি

■ অপৰাজিতা বৰা

মাধৱ কন্দলিক অসমীয়া সাহিত্য জগতৰ এজন প্ৰবাদ পুৰুষ বুলিব পাৰি। তেওঁ অসমীয়ালৈ বাল্মীকি ৰামায়ণ অনুবাদ কৰিছিল। কবি কন্দলি শংকৰদেৱৰ পূৰ্বৰ ৰামায়ণৰ কবি আৰু তেওঁক 'অপ্ৰমাদী' কবি বুলি কোৱা হয়। 'অপ্ৰমাদী' মানে ভ্ৰান্তিহীন। তেওঁ অত্যন্ত প্ৰতিভাশালী কবি আছিল। সেয়ে মহাপুৰুষ শংকৰদেৱে কন্দলিৰ ৰামায়ণত উত্তৰাকাণ্ড সংযোগ কৰিবলৈ লৈ কন্দলিৰ সাগৰসংকাশ প্ৰতিভাক গভীৰ শ্ৰদ্ধা জনাই লিখিছিল—

পূৰ্বকবি অপ্ৰমাদী মাধৱ কন্দলি আদি
তেহে বিৰচিলা ৰাম কথা
হস্তীৰ দেখিয়া লাদ শসা যেন ফাৰে মাৰ্গ
মোৰ ভৈল তেহ্নয় অৱস্থা। (উত্তৰাকাণ্ড)

ইতিমধ্যেই কন্দলি ৰামায়ণখনৰ দুটা কাণ্ড কোনো কাৰণবশতঃ মহাপুৰুষজনাৰ দিনতেই হেৰাইছিল। সেয়ে পূৰ্ব কবিজনাৰ ৰামায়ণখণ্ড সম্পূৰ্ণ কৰি তুলিবলৈ উত্তৰসুৰী হিচাপে মহাপুৰুষজনাই কৰ্তব্য বুলি ভাবি শংকৰদেৱে উত্তৰাকাণ্ড আৰু মাধৱদেৱে আদিকাণ্ড ৰামায়ণ ৰচনা কৰি সাতকাণ্ড ৰামায়ণ সম্পূৰ্ণ কৰিছিল। কবি কন্দলিয়ে যে সাতকাণ্ড ৰামায়ণ ৰচনা কৰিছিল সেই সম্পৰ্কত কবিজনাই নিজেই লিখি গৈছে—

"সপ্তকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো লম্ভা পৰিহৰি সাৰোদ্ধৃতে" বুলি। ইয়াৰপৰাই অনুমান কৰিব পাৰি কন্দলিয়ে মহাকবি বাল্মীকিকৃত সংস্কৃত ৰামায়ণখন চমুকৈ অসমীয়ালৈ অনুবাদ কৰিছিল। তেওঁ বাল্মীকি-ৰামায়ণত নথকা কথা, অন্য পুৰাণ বা গ্ৰন্থৰপৰা কথা সংগ্ৰহ কৰি ৰামায়ণত অন্তৰ্ভুক্ত কৰা নাই। মহাকবিজনাৰ বৰ্ণনাকে সংক্ষেপে অসমীয়ালৈ অনুবাদ কৰিছে। পাঁচকাণ্ড ৰামায়ণৰ মাজেদিয়ে কন্দলিৰ কবি প্ৰতিভা সুন্দৰকৈ প্ৰকাশ পাইছে।

আমাৰ কাৰণে আনন্দৰ কথা যে আধুনিক ভাৰতীয় আৰ্য ভাষাসমূহৰ ভিতৰত মাধৱ কন্দলিৰ ৰামায়ণখনেই প্ৰথম ৰচনা। তেওঁ চতুৰ্দশ শতিকাতে বাল্মীকি-ৰামায়ণ অসমীয়ালৈ অনুবাদ কৰিছিল। কন্দলিৰ ৰামায়ণ ৰচনাৰ প্ৰায় এশ-ডেৰশ বছৰৰ পিছতহে হিন্দী, বাংলা, উড়িয়া আদি ভাষালৈ বাল্মীকি-ৰামায়ণ অনূদিত হয়। ইমান প্ৰাচীন হ'লেও কিন্তু কন্দলি ৰামায়ণৰ ভাষা সৰল আৰু ৰচনাভংগীত পূৰ্ণ বিকশিত সাহিত্যিক ঠাঁচ এটাৰ চানেকি পোৱা যায়।

মাধৱ কন্দলিক প্ৰাক্-শংকৰী যুগৰ কবিসকলৰ ভিতৰত শ্ৰেষ্ঠ কবি আখ্যা দিয়া হয়। তেওঁ বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। এইখিনিতে উল্লেখযোগ্য যে মহামাণিক্যক লৈ অথবা তেওঁৰ ৰাজত্বৰ সময়ছোৱাক লৈ পণ্ডিতসকল একমত নহয়। ৰজা মহামাণিক্য কবি কন্দলিৰ সমকালীন আছিল বুলি পণ্ডিতসকলে কয়। নিজৰ পৰিচয় প্ৰসংগত কন্দলিয়ে লিখিছিল—

'কবিৰাজ কন্দলিয়ে আমাকেসে বুলি কয়, মাধৱ কন্দলি মোৰ নাম।' এই কথাৰপৰা অনুমান কৰিব পাৰি যে কন্দলিয়ে ৰামায়ণ ৰচনা কৰাৰ বহু আগৰেপৰা কবি বুলি পৰিচিতি লাভ কৰিছিল। মাধৱ কন্দলিৰ জন্মস্থান আৰু জন্মকালক লৈ পণ্ডিতসকলৰ মাজত মতভেদ থকা দেখা যায়। সেয়ে কন্দলিৰ সবিশেষ পৰিচয় দিবলৈ কঠিন।

ৰামায়ণৰ বাহিৰেও মাধৱ কন্দলিয়ে ৰচনা কৰা আনকেইখনমান গ্ৰন্থৰ নাম হ'ল—দেৱজিত আৰু পাতাল কাণ্ড। এইকেইখন গ্ৰন্থ প্ৰকৃততে তেওঁৰে ৰচনা নে সেইজন আন কোনো মাধৱ কন্দলি সেই লৈ বিতৰ্ক আজিও শেষ হোৱা নাই। ○


**তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (দ্বিতীয় সংখ্যা, মাৰ্চ, ২০১৪)**

১। অৰুন্ধতি ৰয় ২। ৰমণ মেগাছেছে; ফিলিপাইনচৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি ৩। Postal Index Number
৪। লঘু সপ্তৰ্ষি মণ্ডল ৫। কাৰ্বি

# ব্লাইণ্ডনেছ (Blindness)

■ নিশা দেৱী

১৯৯৫ চনত পৰ্তুগীজ ভাষাত প্ৰকাশ পোৱা এই উপন্যাসখনৰ লেখক হৈছে পৰ্তুগীজ লেখক জোজে চাৰামাগ'। ইংৰাজী ভাষালৈ এই উপন্যাসখন অনুবাদ কৰিছে সুদক্ষ লেখক আৰু অনুবাদক জিওৱানী পন্টিয়েৰ'ই (Giovanni Pontiero)। অনুবাদ কৰি উলিয়াবলৈ পন্টিয়েৰ'ক দুবছৰ সময় লাগিছে। এই উপন্যাসখন ইংৰাজী ভাষাত প্ৰকাশ পায় ১৯৯৭ চনত। ১৯৯৮ চনত জোজে চাৰামাগ'ই এই উপন্যাসখনৰ বাবে সাহিত্যৰ ন'বেল বঁটা লাভ কৰে। একেটা বছৰতেই 'নিউৱৰ্ক টাইমছ'ৰ (NewYork Times) 'নটেবল বুক অব দা ইয়েৰ' (Notable Book of the Year) আৰু 'লছ এঞ্জেলছ টাইমছ'ৰ (Los Angeles Times) বছৰটোৰ শ্ৰেষ্ঠ গ্ৰন্থ বঁটা লাভ কৰে। উপন্যাসখনৰ পটভূমি নামহীন এক চহৰ। নামহীন এই চহৰ আক্ৰান্ত হৈছে এক আচৰিত মহামাৰীৰ। এই মহামাৰীৰ নাম অন্ধতা—শুভ্ৰ অন্ধতা। হঠাতেই ইজনৰ পিছত সিজন মানুহ চিকাৰ হৈছে এই মহামাৰীৰ। প্ৰথমজন মানুহ নিজৰ গাড়ীৰ ভিতৰত বহি থকা অৱস্থাতেই হঠাতে অন্ধ হৈ পৰিছে। চোৰ এজনে এই মানুহজনৰ গাড়ীখন চুৰি কৰিছে। ৰাতিপুৱা সাৰ পাই সি আৱিষ্কাৰ কৰিছে সিও অন্ধ। চকু দেখাবলৈ প্ৰথমজন মানুহ যিজন ডাক্তৰৰ ওচৰলৈ গৈছিল, কিতাপ এখন পঢ়ি থকা অৱস্থাত সেই




ডাক্তৰজনো অন্ধ হৈ পৰিছে। চকুৰ পচাৰতেই চহৰখনৰ আধাসংখ্যক মানুহ এই অন্ধতাৰ চিকাৰ হৈছে। অচিৰেই অৰাজকতাৰ সৃষ্টি হৈছে চহৰখনত; খাদ্য আৰু পানী বিচাৰি মানুহবোৰে দোকান-ঘৰ লুটপাত কৰা আৰম্ভ কৰিছে। এই অস্থিৰতাৰ মাজতো অন্ধ ডাক্তৰজন আৰু তেওঁৰ পত্নীয়ে ৭ জন অন্ধ মানুহক লৈ এটি পৰিয়াল আৰু এখন ঘৰৰ সৃষ্টি কৰিছে। একেলগে থাকি চেষ্টা কৰিছে সেই বিভীষিকাৰ মাজতো নিজৰ মাজৰ মানৱতাখিনি জীয়াই ৰখাৰ। কেনেকৈ এই অন্ধতা দূৰ হৈছে? কি অৰ্থ এই অন্ধতাৰ? উপন্যাসখনত লেখকে কোনো এটি চৰিত্ৰকে নাম দিয়া নাই। শাৰীৰিক বৈশিষ্ট্য বা তেনে আন কোনো কথাৰে লেখকে চৰিত্ৰসমূহৰ পৰিচয় দাঙি ধৰিছে। যেনে : প্ৰথমজন অন্ধ মানুহ, গাড়ী চুৰি কৰা মানুহজন, ক'লা চছমা পিন্ধা ছোৱালীজনী ইত্যাদি। উপন্যাসখনত উৰ্দ্ধক'মাৰ ব্যৱস্থা নাই। বাক্যবোৰো বেছ দীঘল। পাছে চাৰামাগ'ৰ লিখন শৈলী কাব্যিক আৰু সেইবাবে কিতাপখন পঢ়িবলৈ টান হোৱা সত্বেও মনোগ্ৰাহী আৰু জনপ্ৰিয়। জোজে চাৰামাগ'ৰ 'ব্লাইণ্ডনেছ' নামৰ এই উপন্যাসখনক বহুতেই তুলনা কৰে গ্ৰেব্ৰিয়েল গাৰ্ছিয়া মাৰ্কুইজৰ বিখ্যাত উপন্যাস 'ৱান হানড্ৰেণ্ড ইয়েৰছ অব চলিটিউড'ৰ লগত। ○

## তোমালোকে জানানে?

- ভাৰতৰ ৫০% লোক ২৫ বছৰৰ তলৰ আৰু ৬৫% লোক ৩৫ বছৰৰ তলৰ।
- ভাৰতৰ বৰ্তমান জনসংখ্যা ১, ২১০, ১৯৩, ৪২২। ই পৃথিৱীৰ ভিতৰত দ্বিতীয় স্থানত আছে।

# বাজেট সম্পৰ্কে কিছু কথা

■ অপৰ্ণা দেৱী

ৰাজস্ব বিজ্ঞানৰ এটা গুৰুত্বপূৰ্ণ অংশ হ'ল বাজেট। অৰ্থবিজ্ঞানৰ যিটো ভাগত ৰাজহুৱা আয় আৰু ব্যয়ৰ নীতিসমূহ অধ্যয়ন কৰা হয়, সেই ভাগটোক ৰাজস্ব বিজ্ঞান বোলা হয়। চমুকৈ, চৰকাৰী বিত্তৰ আন এটা নাম ৰাজস্ব বিজ্ঞান বুলি ক'ব পাৰি।

বাজেট শব্দটোৰ নিৰ্দিষ্ট প্ৰতিশব্দ নাই। ব্যক্তি, পৰিয়াল, ৰাজ্য, ৰাষ্ট্ৰ সকলোৰে লগত বাজেট বিষয়টো জড়িত। প্ৰায় প্ৰত্যেক ব্যক্তিৰ, পৰিয়ালৰ নিজস্ব একোখন বাজেট থাকে। সেই ব্যক্তিগত বা পৰিয়ালকেন্দ্ৰিক বাজেটবোৰ যে লিখিতই হ'ব লাগিব, তেনেকুৱা কোনো কথা নাই। বহুতেই হয়তো ব্যক্তিগত জমা-খৰচৰ এটা হিচাপ মনৰ ভিতৰতে কৰি নিজৰ লগত কঢ়িয়াই লৈ ফুৰিব পাৰে। কিন্তু ৰাজ্য এখনৰ বা ৰাষ্ট্ৰ এখনৰ আয়-ব্যয়ৰ দীঘলীয়া হিচাপবোৰ লিপিবদ্ধ কৰা হয়।

ব্যক্তিৰ, পৰিয়ালৰ বাজেটত যিদৰে কিছুমান প্ৰত্যাশা থাকে, ৰাষ্ট্ৰ এখনৰো সেইদৰে প্ৰত্যাশা থকাটো স্বাভাৱিক। এখন দেশৰ এক বিত্তীয় বছৰত চৰকাৰৰ প্ৰত্যাশিত আয় বা উপাৰ্জন আৰু ব্যয় বা খৰচৰ হিচাপেই হ'ল চৰকাৰী বাজেট। আমাৰ দেশত এক এপ্ৰিলৰপৰা একত্ৰিছ মাৰ্চৰ ভিতৰৰ সময়ছোৱাক এক বিত্তীয় বছৰ বুলি ধৰা হয়। গতিকে বাজেট হৈছে বছৰেকীয়া এক বিত্তীয় বিৱৰণ। ভাৰতীয় সংবিধান মতে, বাজেট হৈছে বাৰ্ষিক বিত্তীয় বিবৃতি।

চৰকাৰৰ বছৰেকীয়া আয়-ব্যয়ৰ হিচাপৰ বিবৃতি বা বাজেট লোকসভাত (Parliament) উত্থাপন কৰিব লাগে আৰু সেই বাজেট সংসদৰদ্বাৰা অনুমোদিত হ'ব লাগে। বাজেটখন ফেব্ৰুৱাৰি মাহৰ অন্তিম কৰ্ম দিনটোত উত্থাপন কৰিব লাগে। সংসদৰ দুয়ো সদনত এই বাজেটৰ বিষয়ে আলোচনা হয়। ইয়াক কেন্দ্ৰীয় চৰকাৰৰ বাজেট বোলা হয়। ৰাজ্য চৰকাৰে প্ৰত্যেক বছৰে বিধানসভাত বাজেট দাখিল কৰিব লাগে।

চৰকাৰী বাজেট কেৱল হিচাপ-নিকাচৰ বিবৃতি নহয়। ই চৰকাৰৰ আৰ্থ-সামাজিক দৰ্শন প্ৰতিফলিত কৰা এক মাধ্যম। এই বাজেটৰদ্বাৰাই সামূহিক কল্যাণ বা মংগল বৃদ্ধিৰ বাবে চেষ্টা চলোৱা হয়।

চৰকাৰৰ ভৱিষ্যৎ কাৰ্যসূচীৰ পৰিকল্পনাৰ প্ৰতিচ্ছবি দাঙি ধৰা বাজেট এখনত দুটা ভাগ থাকে। ৰাজহ ভাগ আৰু ব্যয় ভাগ। চৰকাৰৰ ৰাজহ সংগ্ৰহৰ কিছুমান উৎস থাকে। ৰাজহৰ উৎসসমূহ হ'ল—কৰ-কাটল, পঞ্জীয়ন মাচুল, জৰিমনা, ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ লাভালাভ ইত্যাদি। ৰাজহ ব্যয় হ'ল কৰ্মচাৰীৰ দা-দৰমহা, বানচ, ভাট্টা ইত্যাদি। চৰকাৰে সমগ্ৰ প্ৰশাসন ব্যৱস্থাটো চলাই নিবলৈ একধৰণৰ খৰচৰ প্ৰয়োজন হয়, সেয়া হ'ল চৰকাৰী ব্যয়।

চৰকাৰৰ বিত্ত বিভাগে পোনতে পৰৱৰ্তী বিত্তীয় বছৰটোৰ বাবে চৰকাৰী ব্যয়ৰ হিচাপ লয় আৰু তাৰ পাছত সেই ব্যয় সম্ভৱ কৰি তুলিবলৈ প্ৰয়োজনীয় কৰ-কাটল আৰোপ কৰে। একোখন বাজেটে সাধাৰণতে চৰকাৰৰ পৰিকল্পিত আয় আৰু পৰিকল্পিত ব্যয়ৰ হিচাপ দেখুৱায়। বাজেটখনে চৰকাৰৰ প্ৰকৃত ব্যয়ৰ হিচাপ দাঙি নধৰে। বিত্তমন্ত্ৰী পি. চিদাম্বৰমে ১৭ ফেব্ৰুৱাৰি তাৰিখে ২০১৪-১৫ চনৰ বাবে সংসদত বাৰ্ষিক বাজেট উত্থাপন কৰে।

চলিত বছৰৰ ১২ ফেব্ৰুৱাৰি তাৰিখে ৰেলমন্ত্ৰী মল্লিকাৰ্জুন খৰ্গই অন্তৰ্বৰ্তী ৰেল বাজেট উত্থাপন কৰে। লোকসভাত উত্থাপন কৰা সেই বাজেটখনে ৫৯,৩৫৯ কোটি টকাৰ ব্যয় ধাৰ্য কৰিছে। সেই বাজেটত ৭৩ খন নতুন ৰেলৰ প্ৰস্তাৱ কৰা হৈছে। ❍

## তোমালোকে জানানে?

- পৃথিৱীৰ আটাইতকৈ দীঘল আলিবাটটো হ'ল—কানাডাৰ য়ং ষ্ট্ৰিট (Yonge Street, ১৮৯৬ কিল'মিটাৰ)।

# মোগল সাম্ৰাজ্যৰ অন্যতম ভাস্কৰ্য 'কুটুবমিনাৰ'

■ চন্দনা মেধি চৌধুৰী

দিল্লীত থকা কুটুবমিনাৰে ভাৰতবৰ্ষত মোগল সাম্ৰাজ্যৰ প্ৰাথমিক সাফল্যৰ স্মৃতি বহন কৰে। কুটুবমিনাৰক মাৰ্বল আৰু ৰঙা বালি-শিলেৰে নিৰ্মিত বিশ্বৰ সৰ্বোচ্চ স্তম্ভ হিচাপে জনা যায়। দিল্লীৰ মেহৰাউলিৰ দাঁতি কাষৰীয়া অৰবিন্দ মাৰ্গৰ কুটুব চৌহদত অৱস্থিত কুটুবমিনাৰৰ নিৰ্মাণ কাৰ্য আৰম্ভ হৈছিল ১১৯৩ চনত, কুটুবুদ্দিন আইবাকৰ শাসনকালত। মোগল শাসনকালৰ অপূৰ্ব কলা-ভাস্কৰ্যৰ নিদৰ্শন এই ঐতিহাসিক স্তম্ভটোৰ নামকৰণৰ ক্ষেত্ৰত মতান্তৰ আছে। একাংশ বুৰঞ্জীবিদে প্ৰথম তুৰ্কী চুলতান কুটুবুদ্দিন আইবাকৰ নামেৰেই ইয়াক নামাংকৃত কৰা হৈছিল বুলি কয়। আন একাংশই বাগদাদৰপৰা আহি ভাৰতবৰ্ষত বসতি স্থাপন কৰা কুটুবুদ্দিন বখতিয়াৰ কাকী নামৰ এজন ধৰ্মযাজকৰ নামেৰে এই স্তম্ভটোৰ নামকৰণ কৰা হৈছিল বুলি দাবী কৰিব খোজে।

ভাৰতীয় মুছলমানসকলৰ স্থাপত্য-শিল্পৰে আফগানিস্তানৰ প্ৰখ্যাত 'জেম স্তম্ভ'ৰ আৰ্হিত নিৰ্মিত কুটুবমিনাৰৰ উচ্চতা ৭২.৫ মিটাৰ আৰু ইয়াত ৩৭৯টা ছিৰি আছে। কুটুবমিনাৰৰ ভূমি অংশৰ ব্যাস ১৪.৩ মিটাৰ আৰু শীৰ্ষতম মহলাৰ ব্যাস ২.৭ মিটাৰ। স্তম্ভটোৰ গাত ইয়াৰ ইতিহাস আৰু কোৰাণৰ বাণী লিপিবদ্ধ হৈ আছে।

প্ৰবলপ্ৰতাপী শাসক কুটুবুদ্দিন আইবাকে ২৭টা হিন্দু মন্দিৰ ধ্বংস কৰি এইবোৰৰ ধ্বংসাৱশেষেৰে কুটুবমিনাৰৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰিছিল। অৱশ্যে তেওঁৰ শাসনকালত স্তম্ভটোৰ নিৰ্মাণ অসম্পূৰ্ণ হৈ ৰয়। ১২৩১ চনত তেওঁৰ জোঁৱায়েক দাসবংশীয় ৰজা ইল্টুৎমিছে অসম্পূৰ্ণ স্তম্ভটোৰ তিনিটা মহলা নিৰ্মাণ কৰে। ১৩৫১ চনত ফিৰোজ শ্বাহ টোগলকে স্তম্ভটোৰ অৱশিষ্ট পঞ্চম আৰু অন্তিম মহলা নিৰ্মাণ কৰি কুটুবমিনাৰক পূৰ্ণাংগ ৰূপ দিয়ে। ফিৰোজ শ্বাহৰ শাসন কালত কুটুবমিনাৰৰ শীৰ্ষৰ দুটা স্তম্ভ ভূমিকম্পত ক্ষতিগ্ৰস্ত হয় যদিও কম দিনৰ ভিতৰতে মেৰামতি কৰা হয়। ১৫০৫ চনত স্তম্ভটো দ্বিতীয়বাৰৰ বাবে ভূমিকম্পত ক্ষতিগ্ৰস্ত হয় আৰু চিকন্দৰ লোডীয়ে ইয়াক মেৰামতি কৰে। ১৭৯৪ চনত স্তম্ভটো তৃতীয়বাৰৰ বাবে ভূমিকম্পত ক্ষতিগ্ৰস্ত হয় আৰু তেতিয়া মেজৰ স্মিথ নামৰ অভিযন্তা এজনে ফিৰোজ শ্বাহে নিৰ্মাণ কৰা স্তম্ভটোৰ শীৰ্ষমহলাৰ পেভিলিয়নখন নিজৰ আৰ্হিত নতুনকৈ নিৰ্মাণ কৰে। অৱশ্যে ১৮৪৮ চনত লৰ্ড হাৰ্ডিঞ্জৰ পৃষ্ঠপোষকতাত পেভিলিয়নখন ভাঙি পেলোৱা হয়। উল্লেখযোগ্য যে কুটুবমিনাৰ নিৰ্মাণৰ ক্ষেত্ৰত বিদেশী মুছলমান স্থপতি আৰু দেশীয় ৰাজমিস্ত্ৰী, কাৰিকৰ আদি জড়িত হোৱাৰ হেতু স্তম্ভটোত প্ৰাচ্য আৰু পাশ্চাত্য স্থাপত্য শিল্পৰ সমন্বয় ঘটিছে।

কুটুবমিনাৰৰ উত্তৰ-পূব দিশত আছে দিল্লীৰ চুলতানে নিৰ্মাণ কৰা প্ৰথমটো মছজিদ 'কুৱাট-উল-ইছলাম মছজিদ'। তদুপৰি স্তম্ভটোৰ কাষতে আছে প্ৰায় ২০০০ বছৰৰ পুৰণি প্ৰায় ৭.২ মিটাৰ উচ্চতাৰ এটা লৌহ স্তম্ভ। আজিকোপতি মামৰে নধৰা এই লৌহ স্তম্ভটোত পিঠি থৈ হাত দুখনেৰে স্তম্ভটো সাৱটি ধৰিব পৰাজনৰ ইচ্ছা পূৰণ হয় বুলি এক ধৰ্মীয় বিশ্বাস আছে।

কুটুবমিনাৰ, লৌহ স্তম্ভ বা আইৰণ পিলাৰ ইলতুৎমিছৰ সমাধি, অৰ্ধনিৰ্মিত আলাই মিনাৰ (আলাউদ্দিন খিলজিয়ে কুটুবমিনাৰতকৈ দুগুণ উচ্চতাৰ স্তম্ভ নিৰ্মাণ কৰিব খুজিছিল), কুৱাট-উল-ইছলাম মছজিদ আদি ভালেমান স্মাৰকসমৃদ্ধ কুটুব চৌহদক (Qutub Complex) ১৯৯৩ চনত ইউনেস্ক'ই বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত কৰিছে। ❍

টোকা : ইউনেস্ক' (UNESCO) হৈছে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত শিক্ষা, বিজ্ঞান আৰু সাংস্কৃতিক দিশত সহযোগিতা বৃদ্ধি কৰাৰ উদ্দেশ্যে গঠিত হোৱা ৰাষ্ট্ৰসংঘৰ এটা গুৰুত্বপূৰ্ণ শাখা সংস্থা। ১৯৪৫ চনৰ ১৬ নৱেম্বৰত প্ৰতিষ্ঠিত ইউনেস্ক'ৰ প্ৰধান কাৰ্যালয় ফ্ৰান্সৰ পেৰিছত অৱস্থিত। সংস্থাটোৱে 'বিশ্ব ঐতিহ্য ক্ষেত্ৰ' নামেৰে এক বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে। এই কাৰ্যসূচীত সংস্থাটোৱে বিশ্বৰ বিভিন্ন প্ৰান্তত থকা ঐতিহ্যপূৰ্ণ ক্ষেত্ৰবোৰক চিনাক্ত কৰি বিশেষ মৰ্যাদা দি আহিছে।

# দৈনন্দিন জীৱনত বিজ্ঞানৰ গুৰুত্ব

■ অভিজিত শৰ্মা বৰুৱা

আমাৰ দৈনন্দিন জীৱনত আমি অনবৰতে বিজ্ঞানৰ কোনো সঁজুলি বা তত্ত্ব ব্যৱহাৰ কৰিয়েই থাকোঁ। পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান, জীৱবিজ্ঞান আদিৰ জ্ঞান, আৱিষ্কাৰ আদিৰ অবিহনে আধুনিক জীৱনযাত্ৰা সম্ভৱ নহয়। আজি বাৰু আমি আমাৰ জীৱনত ৰসায়নবিজ্ঞানৰ গুৰুত্ব সম্পৰ্কতে আলোচনা কৰোঁ।

## আমাৰ পৃথিৱীখন এক ৰাসায়নিক বিশ্ব

বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতিটো একক দ্ৰব্য আচলতে ৰাসায়নিক পদাৰ্থহে। আমি যে আধুনিক খাদ্যৰপৰা ঔষধলৈকে, প্লাষ্টিকৰপৰা কম্পিউটাৰলৈকে, কাগজৰপৰা কৃত্ৰিম সূতালৈকে বিভিন্ন ধৰণৰ সামগ্ৰী তৈয়াৰ কৰিব পাৰিছোঁ তাৰ মূল কাৰণ হ'ল আমি আমাৰ পৃথিৱীত থকা ৰাসায়নিক পদাৰ্থবোৰৰ কিছু উপযুক্ত ব্যৱহাৰ কৰিব পাৰিছোঁ।

আমি কেতিয়াবা আমাৰ নিজৰ বুদ্ধি-কৌশল খটুৱাই কিবা এটা নতুন সামগ্ৰী নিৰ্মাণ কৰিছোঁ বুলি গৌৰৱ কৰো হয়, পাছে প্ৰকৃততে সেই বস্তুটো গঠন কৰা ৰাসায়নিক পদাৰ্থবোৰৰ এটা অণুও আমি সৃষ্টি কৰিব পৰা নাই। আমি মাত্ৰ প্ৰকৃতিত পোৱা ৰাসায়নিক দ্ৰব্যবোৰ, অধিক শুদ্ধকৈ ক'বলৈ গ'লে ৰাসায়নিক পদাৰ্থৰ অণুবোৰ, ইফাল-সিফাল কৰিছোঁ। ৰসায়নবিজ্ঞানৰ জ্ঞান নথকা হ'লে আমাৰ বাবে পৃথিৱীখন বেছি দুৰ্বোধ্য হৈ পৰিলেহেঁতেন আৰু এতিয়া আমি যিমান উন্নত হৈ উঠিছো, সিমান উন্নত হৈ উঠিব নোৱাৰিলোহেঁতেন।

আমি যিবোৰ তৰা দেখি থাকোঁ, সেইবোৰ ৰাসায়নিক দ্ৰব্য। প্ৰতিটো ধূলিকণা আচলতে বেলেগ বেলেগ সংযুক্তিৰ ৰাসায়নিক দ্ৰব্য। খাদ্য এবিধ ৰাসায়নিক দ্ৰব্য। অণুৰপৰা কেনটাকি চিকেনলৈকে সকলো ৰাসায়নিক দ্ৰব্য। আমাৰ জীৱনদায়িনী বায়ু, পানীও ৰাসায়নিক দ্ৰব্য। মুঠতে সকলো বস্তুৱেই ৰাসায়নিক দ্ৰব্য। সেই হিচাপে আমাৰ পৃথিৱীখনো এক ৰাসায়নিক বিশ্ব।

## বিজ্ঞানৰ বিভিন্ন শাখাৰ পাৰস্পৰিক সম্পৰ্ক

প্ৰকৃততে কোনো বিজ্ঞানেই—অৰ্থাৎ বিজ্ঞানৰ কোনো শাখাই—কেৱল সেইবিধ বিজ্ঞানৰে বিশুদ্ধ চৰ্চা নহয়। বিজ্ঞানৰ ইটো শাখাৰ লগত সিটো শাখাৰ বেছ সম্পৰ্ক আছে, লগতে আছে আধুনিক প্ৰযুক্তিৰো। এই যে গাড়ী এখন ৰাস্তাত চলি গৈ আছে, বা কম্পিউটাৰে জটিল গণনা আৰু মানুহে কৰিব নোৱৰা আন বহু কাম কৰি আছে, তাৰ লগত মেকানিকেল ইঞ্জিনীয়াৰিং, ইলেক্‌ট্ৰনিক্স আদিৰ লগতে ৰসায়ন বিজ্ঞানো জড়িত হৈ আছে। সেয়ে এতিয়া আধুনিক প্ৰযুক্তিৰ কোনো এটা প্ৰজেক্ট আৰম্ভ কৰাৰ সময়ত সেই প্ৰজেক্ট দলটোত পদাৰ্থবিজ্ঞানী, ৰসায়নবিজ্ঞানী আদিকো লোৱা হয় যাতে তেনে বিষয়ৰ সমস্যা হ'লে সেইসকলে সেই সমস্যাৰ সমাধান কৰিব পাৰে। ধৰা হ'ল, মহাকাশলৈ এটা ৰকেট বা মহাকাশ যান এখন পঠিয়াব লাগে। সেই কামো ৰসায়নবিজ্ঞানী, পদাৰ্থবিজ্ঞানী আদি নোহোৱাকৈ কেৱল মহাকাশ বিজ্ঞানীৰদ্বাৰা সম্ভৱ নহয়। আমি যদি আধুনিক ম'বাইল, কম্পিউটাৰ আদি নিৰ্মাণৰ কথা চিন্তা কৰো, তাতো ৰসায়ন লাগিব। ৰসায়নেহে সেই সঁজুলিবোৰ অধিক কাৰ্যদক্ষ হৈ উঠাত সহায় কৰিছে।

প্লাষ্টিক, এলুমিনিয়াম, ষ্টীল, কাচ, ভলকেনাইজড ৰবৰ, পেইণ্ট আদিৰ ব্যৱহাৰ নোহোৱাকৈ এতিয়াৰ আধুনিক বিশ্বৰ প্ৰায়ভাগ সামগ্ৰীৰে নিৰ্মাণ সম্ভৱ নহয়। পিছে এই বস্তুবোৰৰ যোগান ধৰিব পাৰে ৰাসায়নিক উদ্যোগসমূহেহে। এতিয়া প্ৰযুক্তিবিদসকলে তেওঁলোকৰ কাম-কাজৰ বাবে ৰসায়নবিজ্ঞানীৰ ওপৰত যথেষ্ট নিৰ্ভৰ কৰে। তেওঁলোকে হোটেলত খোৱাবস্তুৰ অৰ্ডাৰ দিয়াৰ দৰে অৰ্ডাৰ দিয়ে—আমাক উচ্চ উষ্ণতা সহ্য কৰিব পৰা দ্ৰব্য লাগে, অতি উচ্চ চাপতো একো খতি-খুন নোহোৱা পদাৰ্থ লাগে অথবা ইলেক্‌ট্ৰনিক আৰু আলোকীয় যোগাযোগ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পৰা বিধৰ দ্ৰব্য লাগে। এতিয়া এই ধৰণৰ দ্ৰব্য প্ৰস্তুত কৰি দিব ৰসায়ন

বিজ্ঞানীয়ে। উৰাজাহাজ বা মহাকাশ যান নির্মাণৰ লগত জড়িত প্ৰযুক্তিবিদসকলে হয়তো হিচাপ-নিকাচ কৰি ক'ব যে তেওঁলোকক দৃঢ়, শক্তিশালী, অনমনীয়, তাপ-প্ৰতিৰোধী, কিন্তু যথেষ্ট পাতল দ্ৰব্য লাগে। সেই দ্ৰব্য নিৰ্মাণ কৰিবলৈও ৰসায়ন বিজ্ঞানৰ জ্ঞানেই দৰকাৰ। ৰসায়নবিজ্ঞানীসকলৰ নিৰলস প্ৰচেষ্টাত যোৱা তিনিশ বছৰত এনে কিছু চমকপ্ৰদ দ্ৰব্য ওলাইছে, যিবোৰে প্ৰযুক্তিবিদসকলৰ লগতে সাধাৰণ মানুহকো যথেষ্ট উপকৃত কৰিছে।

মৌলিক ৰাসায়নিক পদাৰ্থসমূহৰ তালিকাসম্বলিত পৰ্যাবৃত্ত তালিকাৰ আৱিষ্কাৰৰ পাছতে দ্ৰব্য বিজ্ঞানত এক বৈপ্লৱিক উন্নতি দেখা গ'ল। কাৰণ সেই তালিকাৰপৰা কোন মৌলিক পদাৰ্থৰ ৰাসায়নিক আৰু ভৌতিক ধৰ্ম কেনে হ'ব পাৰে, তাৰ এক প্ৰণালীবদ্ধ ধাৰণা কৰিব পৰা গ'ল, আৰু ই নতুন প্ৰযুক্তিৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ উপযুক্ত দ্ৰব্য নিৰ্বাচন কৰাতো বিজ্ঞানীসকলক প্ৰভূত সহায় কৰিলে। সেই প্ৰাগৈতিহাসিক যুগৰেপৰা এতিয়ালৈকে মানুহে প্ৰতিটো বস্তু বা আহিলা সাজোতে জানি বা নাজানি ৰসায়নবিজ্ঞান ব্যৱহাৰ কৰি আহিছে। উদ্ভিদে নিজৰ লগতে আমাৰ বাবেও যে খাদ্য প্ৰস্তুত কৰে, সেয়া ৰাসায়নিক বিক্ৰিয়াৰ জৰিয়তেই। আমাৰ মস্তিষ্কত বিভিন্ন ভাব সৃষ্টি হোৱাৰ মূল কাৰণ হৈছে কেন্দ্ৰীয় পৰ্যায়ত সংঘটিত কিছুমান ৰাসায়নিক বিক্ৰিয়া।

## ৰসায়নবিজ্ঞানবিহীন এখন পৃথিৱীৰ কল্পনা কৰোঁহকচোন !

আমি যদি ধৰি লওঁ যে আমাৰ ওচৰত সকলো বিজ্ঞানৰে জ্ঞান আছে, কেৱল ৰসায়নবিজ্ঞানৰ জ্ঞান নাই। তেতিয়া বাৰু আমি কি কি নাপালোহেঁতেন? তাৰ এখন তালিকাকে কৰা যাওক ঃ

- প্লাষ্টিক নাই। মানে কোনো প্লাষ্টিকৰ মোনা নাই, চি ডি নাই, ডি ভি ডি নাই, প্লাষ্টিকৰ কাপ-প্লেট নাই, চেলো টেপ নাই, নাইলন-ৰেয়ন আদি কাপোৰ নাই, গাড়ী বা মটৰ চাইকেলখনৰো বেছি অংশ নাই।
- গাড়ী চলোৱাৰ উপায় নাই। উৰাজাহাজতো ক'ৰবালৈ যাবলৈ উপায় নাই। কাৰণ পেট্ৰল-গেছ'লিন নাই।
- কোনো ফাৰ্মাচিউটিকেল সামগ্ৰী নাই। আধুনিক দৰৱ নাই, এছপিৰিন নাই, পেইন কিলাৰ নাই।
- ইফালে পানীৰপৰা উৎপত্তি হোৱা বেমাৰৰ ৰোগীৰে হস্পিটেল-নাৰ্ছিংহোম ভৰ্তি। কাৰণ 'ৱাটাৰ পিউৰিফায়াৰ' নাই।
- সাংশ্লেষিক সাৰ নাই, কীটনাশক দ্ৰব্য নাই। উৎপাদন বৃদ্ধি কৰাত সমস্যা, বহু ঠাইত আকাল আৰু দুৰ্ভিক্ষ।
- কোনো পেইণ্ট নাই, প্ৰসাধনৰ সামগ্ৰী নাই, প্ৰচেছ কৰা খাদ্য নাই, উৎপাদিত শস্য আৰু খাদ্য বহুদিনলৈকে ভাল কৰি ৰখাৰ উপায় নাই।
- এয়াৰ কণ্ডিছনাৰ নাই, ৰেফ্ৰিজাৰেটৰ নাই।
- কম্পিউটাৰ নাই, আঠা নাই, বেটাৰী নাই, ঘৰত বিদ্যুৎ নাই।

নাই মানে একোৱেই নাই। পুনৰ গুহা যুগলৈ উভতি গৈ গুহাত বাস কৰি শিল দলিয়াই জন্তু চিকাৰ কৰাৰ বিকল্প নাই।

## আধুনিক প্ৰযুক্তি আৰু ৰসায়নবিজ্ঞান

আধুনিক প্ৰযুক্তিৰ অজস্ৰ ক্ষেত্ৰত ৰসায়নবিজ্ঞানৰ গুৰুত্বপূৰ্ণ প্ৰয়োগ আছে। সেইবোৰৰ কেইটামান হ'ল— আধুনিক দৰৱৰ তৈয়াৰ, কাগজ কলৰ মণ্ডৰ বৰণ নাশ কৰাত এনজাইমৰ ব্যৱহাৰ, নতুন কাগজ তৈয়াৰ কৰা প্ৰযুক্তিত বিশেষ ৰাসায়নিক দ্ৰব্যৰ ব্যৱহাৰ, বিশেষ পেকেজিঙৰ বাবে চেলুল'জ তন্তুৰ ব্যৱহাৰ, ৰিচাইকল কৰা কাগজৰ বৰণ গুচাবলৈ নতুন ৰাসায়নিক দ্ৰব্যৰ ব্যৱহাৰ, প্ৰদূষক দ্ৰব্যক আন উপকাৰী দ্ৰব্যলৈ ৰূপান্তৰিত কৰা, উৰাজাহাজ-মটৰ গাড়ী আদিৰ অংশ নিৰ্মাণ, পেকেজ্ড খাদ্য প্ৰস্তুত, প্লাষ্টিকৰ সামগ্ৰী প্ৰস্তুত, টেলিভিছন-কম্পিউটাৰ নিৰ্মাণ, সাৰ প্ৰস্তুতকৰণ আদি।

আদি যদি গভীৰভাৱে ভাবি চাওঁ, তেন্তে এটা সত্য উপলব্ধি কৰিম যে আচলতে ৰসায়নেহে আমাক জীয়াই ৰাখিছে। আমাৰ দেহত প্ৰায় প্ৰতি মুহূৰ্ততে ঘটি থকা ৰাসায়নিক বিক্ৰিয়াবোৰ যদি নঘটিলেহেঁতেন, খাদ্যবস্তুৰ দহন হৈ যদি শক্তি উৎপত্তি নহ'লহেঁতেন, তেন্তে আমি কেনেকৈ জীয়াই থাকিলোহেঁতেন? ৰসায়নে যে আমাৰ জীৱন সহজ কৰি তুলিছে, কেৱল সেয়াই সত্য নহয়; পৰম সত্যটো হ'ল যে আমি এই বিশ্বত জীয়াই থকাটো ৰসায়নৰ বাবেহে সম্ভৱ হৈছে। ❍

# কেইটামান বিখ্যাত ফুটবল ক্লাব

■ পলাশ কুমাৰ নাথ

**১। মানচেষ্টাৰ ইউনাইটেড :** সম্পূৰ্ণ নাম মানচেষ্টাৰ ইউনাইটেড ফুটবল ক্লাব। মানচেষ্টাৰ ইউনাইটেড ফুটবল ক্লাব বিশ্ববিখ্যাত ইংলিচ পেছাদাৰী ফুটবল ক্লাব। বিশ্বৰ জনপ্ৰিয় ফুটবল দলসমূহৰ ভিতৰত অন্যতম জনপ্ৰিয় দল। ইয়াৰ সমৰ্থকৰ সংখ্যা প্ৰায় ৩৩ কোটিতকৈও অধিক যি পৃথিৱীৰ মুঠ জনসংখ্যাৰ শতকৰা ৫ ভাগ। ২০০৮-০৯ৰ প্ৰিমিয়াৰ লীগ আৰু ২০০৮ চনত ফিফা ক্লাব বিশ্বকাপ জয়ী হোৱা মানচেষ্টাৰ ইউনাইটেডে বৰ্তমান প্ৰিমিয়াৰ লীগৰ চেম্পিয়ন খিতাপ দখল কৰিছে। ১৮৭৮ চনত এই ফুটবল ক্লাবটি প্ৰতিষ্ঠা কৰা হয় 'নিউটন হিথ এলওৱাইআৰ ফুটবল ক্লাব' (Newton Health LYR Football Club) নামেৰে। ১৯০২ চনৰপৰা এই ক্লাবটিৰ নাম 'মানচেষ্টাৰ ইউনাইটেড' দিয়া হয়। বৰ্তমানলৈকে মানচেষ্টাৰ ইউনাইটেডে বিছ বাৰ 'লীগ' খিতাপ, অভিলেখ সংখ্যক এঘাৰ বাৰ 'এফ এ কাপ', চাৰি বাৰ 'লীগ কাপ', তিনি বাৰ ইউৰোপিয়ান ক্লাব' আৰু এবাৰ 'ফিফা ক্লাব বিশ্বকাপ' দখল কৰিছে। বৰ্তমানৰ মানচেষ্টাৰ ইউনাইটেডৰ স্বত্বাধিকাৰী হ'ল মেলকম গ্লেজাৰ (Malcolm Glazer)।

**২। এফ চি বাৰ্চিলোনা :** সম্পূৰ্ণ নাম 'ফুটবল ক্লাব বাৰ্চিলোনা'। ফুটবল ক্লাব বাৰ্চিলোনা যি 'বাৰ্চা' নামেৰেও সমৰ্থকসকলৰ মাজত জনপ্ৰিয়। এই স্পেনিচ পেছাদাৰী ফুটবল ক্লাবটি স্পেইনৰ কাটালোনিয়াৰ বাৰ্চিলোনা চহৰত অৱস্থিত। জোয়ানগাম্পাৰ নামৰ এজন ব্যক্তিৰ নেতৃত্বত ১৮৯৯ চনত এদল ছুইচ, ইংৰাজ আৰু কাটালান নাগৰিকে এই দলটি গঠন কৰে। মন কৰিবলগীয়া যে এই ক্লাবৰ কোনো নিৰ্দিষ্ট মালিক নাই, বৰং সমৰ্থকেই ইয়াৰ মালিকীস্বত্ব বহন কৰে। উপাৰ্জনৰ ফালৰপৰা ই বিশ্বৰ দ্বিতীয় ধনী ক্লাব যাৰ বাৰ্ষিক উপাৰ্জন ৬১৩ মিলিয়ন মাৰ্কিন ডলাৰ। বাৰ্চিলোনা স্পেইনৰ এটি সফলতম ক্লাব। বৰ্তমানলৈকে বাৰ্চিলোনাই ২২ বাৰ 'লা-লিগা', ২৬ বাৰ 'কোপ ডেল ৰে', ২ বাৰ 'কোপা ডি লা লিগা', ৪ বাৰ 'উৱেফা চেম্পিয়নছ লীগচ লীগ', ৪ বাৰ 'উৱেফা চুপাৰ কাপ' আৰু ২ বাৰ 'ফিফা ক্লাব বিশ্বকাপ' খিতাপ লাভ কৰিছে। লিঅ'নেল মেছি, নেইমাৰ, কাৰ্লছ পুইয়ল আদি ফুটবল ক্লাব বাৰ্চিলোনাৰ অন্যতম তাৰকা খেলুৱৈ।

**৩। ৰিয়েল মাদ্ৰিদ :** ৰিয়েল মাদ্ৰিদ ফুটবল ক্লাব বিংশ শতিকাৰ এটি সফলতম ফুটবল ক্লাব আৰু ইউৰোপৰ আটাইতকৈ অধিক খিতাপ দখল কৰা ক্লাব। ১৯০২ চনৰ ৬ মাৰ্চত এই দলটি গঠন কৰা হৈছিল 'মাদ্ৰিদ ফুটবল ক্লাব' নামেৰে। ৰিয়েল মাদ্ৰিদ বিশ্বৰ আটাইতকৈ ধনী ফুটবল ক্লাব। এই ফুটবল ক্লাবৰ বৰ্তমানৰ মেনেজাৰ হ'ল 'কাৰ্লো অঞ্চিল'টি'। ই লা-লিগাৰ ২০১২-১৩ৰ দ্বিতীয় শ্ৰেষ্ঠ দল। এই বৃত্তিধাৰী স্পেনিচ ফুটবল ক্লাবটো সাধাৰণতে ৰিয়েল মাদ্ৰিদ-হিচাপেই জনাজাত। বৰ্তমানলৈকে ৰিয়েদ মাদ্ৰিদে অভিলেখ সংখ্যক ৯ বাৰ 'উৱেফা চেম্পিয়নছ লীগ', ২ বাৰ 'উৱেফা কাপ' আৰু ৯ বাৰ 'উৱেকা চুপাৰ কাপ' খিতাপ দখল কৰিছে। ক্ৰিষ্টিয়ানো ৰোণাল্ডো, পিপি, আইকাৰ কাচিলাচ, কৰিম বেঞ্জিমা আদি ৰিয়েল মাদ্ৰিদৰ বৰ্তমানৰ তাৰকা খেলুৱৈ।

**৪। এ চি মিলান :** এচি মিলান ইটালীৰ এটি বিখ্যাত পেছাদাৰী ফুটবল ক্লাব। এই ফুটবল ক্লাবটি ইটালীৰ মিলানত অৱস্থিত। ১৮৯৯ চনৰ ১৬ ডিছেম্বৰ তাৰিখে এজন ইংৰাজ নাগৰিক 'হৰ্বাট কিলপিন' আৰু এগৰাকী ব্যৱসায়ী 'আলফ্ৰেড এডৱাৰ্ডছে' 'এ চি মিলান' নামৰ ফুটবল ক্লাবটি গঠন কৰে। বিশ্ব ফুটবলত দ্বিতীয় সফলতম দল হিচাপে এ চি মিলান প্ৰতিষ্ঠিত। বৰ্তমানলৈকে এ চি মিলানে ওঠৰ বাৰ ইটালিয়ান ফুটবল চেম্পিয়নশ্বিপ, পাঁচ বাৰ 'কোপা ইটালীয়া', ছয় বাৰ ছুপাৰ কোপা ইটালীয়ানা', সাত বাৰ 'উৱেফা ছেম্পিয়নছ লীগ', দুই বাৰ 'উৱেফা কাপ', পাঁচ বাৰ 'উৱেফা ছুপাৰ কাপ' আৰু এবাৰ 'ফিফা ক্লাব বিশ্বকাপ' খিতাপ দখল কৰিছে। সৰ্বকালৰ ইউৰোপীয়ান ক্লাব ৰেংকিঙত এ চি মিলানে ৬৬৬৭ পইণ্টৰে তৃতীয় স্থান লাভ কৰিছে।

**টোকা** : *ইয়াত উল্লেখ কৰা বিভিন্ন ফুটবল প্ৰতিযোগিতাৰ বিষয়ে পিছত আন লেখা প্ৰকাশ কৰা হ'ব।*

# কুইজ

■ ধ্ৰুৱ শৰ্মা

১। অসমীয়া ভাষাৰ অন্যতম অভিধান 'হেমকোষ' কোন চনত প্ৰথম প্ৰকাশ হৈছিল?

২। আন্তৰ্জাতিক সংগঠন 'ৰেডক্ৰছ' কাৰ উদ্যোগত গঢ়ি উঠিছিল?

৩। ভাৰতৰ প্ৰথমগৰাকী গৱৰ্ণৰ জেনেৰেল কোন আছিল?

৪। ইয়ং ইণ্ডিয়া' নামৰ আলোচনীখন পোনপ্ৰথমে কোনে সম্পাদনা কৰিছিল?

৫। বিশ্বৰ প্ৰথমগৰাকী মহিলা মুছলমান শাসক কোন?

৬। ভাৰতে কিমান চনত ৰাষ্ট্ৰসংঘৰ সদস্যপদ লাভ কৰিছিল?

৭। ভাৰতত অনুষ্ঠিত প্ৰথমখন কুইজ প্ৰতিযোগিতাৰ কুইজ মাষ্টাৰ কোন আছিল?

৮। ভাৰতত প্ৰকাশ পোৱা প্ৰথমখন সংবাদ-পত্ৰৰ নাম কি?

৯। নেপ'লিয়ন ব'নাপাৰ্টক কোনটো দ্বীপত নিৰ্বাসন দিয়া হৈছিল?

১০। বিশ্ব চলচ্চিত্ৰৰ সৰ্বোচ্চ বঁটা 'অস্কাৰ বঁটা' প্ৰথমবাৰৰ বাবে কেতিয়া প্ৰদান কৰা হয়?

১১। প্ৰেছাৰ কুকাৰৰ আৱিষ্কাৰক কোন?

১২। ছালৰ বিষয়ে অধ্যয়ন কৰা বিজ্ঞানৰ শাখাটোৰ নাম কি?

১৩। হিন্দু মহাসভা (১৯০৬) কোনে গঠন কৰিছিল?

১৪। বিশ্ববিখ্যাত চেতাৰবাদক পণ্ডিত ৰবি শংকৰৰ আত্মজীৱনীখনৰ নাম কি?

১৫। ভাৰতৰ আটাইতকৈ দীঘল ৰাষ্ট্ৰীয় ঘাইপথ কোনটো?

১৬। অসমৰ জাতীয় সংগীতটোৰ সুৰ কোনে দিছিল?

১৭। কোনগৰাকী অসমীয়া সাহিত্যিকক 'দ্ৰোণাচাৰ্য' বোলা হয়?

১৮। গুৱাহাটী পৌৰ নিগম কোন চনত স্থাপন হৈছিল?

১৯। ডাক টিকটত স্থান পোৱা প্ৰথমগৰাকী অসমীয়া কোন?

২০। 'ভাৰত ৰত্ন' বঁটা পোৱা প্ৰথমগৰাকী অসমীয়া কোন?

২১। ভাৰতৰ কোনখন ৰাজ্যত লোকসভা সমষ্টিৰ সংখ্যা আটাইতকৈ বেছি?

২২। আহোমৰ শেষ ৰজা কোন আছিল?

২৩। অসম উপত্যকা সাহিত্য বঁটা লাভ কৰা প্ৰথম অসমীয়া সাহিত্যিকগৰাকী কোন?

২৪। ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ প্ৰথম অসমীয়া ন্যায়াধীশগৰাকী কোন?

২৫। অলিম্পিকত অংশগ্ৰহণ কৰা প্ৰথম অসমীয়া খেলুৱৈগৰাকী কোন? ❍

## তোমালোকৰ বাবে প্ৰশ্ন

১। পৃথিৱীৰ আটাইতকৈ দীঘল দলংখনৰ নাম কি?

২। পৃথিৱীৰ আটাইতকৈ গভীৰ নদীখনৰ নাম কি?

৩। অসমত কোন চনত পোনপ্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰপতি শাসন বলবৎ হৈছিল?

৪। উমানন্দত থকা শিৱমন্দিৰটো কোনে নিৰ্মাণ কৰিছিল?

৫। স্বাধীন অসমৰ ৰাজ্য চৰকাৰৰ বিৰোধী দলৰ প্ৰথমগৰাকী বিৰোধী নেতা কোন আছিল।

*(উত্তৰবোৰ তোমালোকে নিজে বিচাৰি ১৫ এপ্ৰিল তাৰিখৰ আগেয়ে পোৱাকৈ সম্পাদক, 'অন্বেষণ' এই ঠিকনালৈ পঠাবা। সম্পূৰ্ণ শুদ্ধ উত্তৰ দিওঁতাসকলৰ নাম পৰৱৰ্তী সংখ্যাত প্ৰকাশ কৰা হ'ব।)*

# ভাৰতৰপৰা ফ্ৰান্সলৈ

■ গায়ত্ৰী শইকীয়া

ইতিহাসৰ বিভিন্ন সময়ত বহুতো বিদেশী শক্তিয়ে ভাৰতবৰ্ষত আক্ৰমণ চলাইছিল। এনে বহুতো শক্তিয়ে আমাৰ দেশত কেবাশ বছৰ জুৰি শাসন চলাইছিল। এনে বিদেশী আক্ৰমণৰ বিৰুদ্ধে আৰু স্বদেশৰ স্বাধীনতা ৰক্ষাৰ্থে হাজাৰ হাজাৰ লোকে সংগ্ৰাম কৰি প্ৰাণ বিসৰ্জন দিছিল। বহুতো সাহসী বীৰে এনে সংগ্ৰামৰ নেতৃত্ব দিছিল। তেওঁলোকৰ ভিতৰত মহীশূৰ ৰাজ্যৰ টিপু চুলতান আছিল অন্যতম। তেওঁৰ দেউতাক আছিল হাইদৰ আলি। ইউৰোপ মহাদেশৰ ইংৰাজ-ফৰাচী বিবাদৰ পৰিপ্ৰেক্ষিতত তেওঁ নিজে ব্ৰিটিছ বিৰোধী পৰিকল্পনা প্ৰস্তুত কৰিছিল।

১৭৯৩ খ্ৰিষ্টাব্দত ইংৰাজ আৰু ফৰাচীৰ মাজত হোৱা যুদ্ধখনে ভাৰতত যথেষ্ট প্ৰভাৱ পেলাইছিল। ফৰাচীসকলে ভাৰতবৰ্ষৰ স্থানীয় শাসকসকলৰ সহায়ত ইংৰাজ শক্তিক ভাৰতৰপৰা বিতাড়িত কৰাত আগভাগ লৈছিল।

নেপ'লিয়ন আৰু টিপু চুলতানৰ উমৈহতীয়া শত্ৰু আছিল ইংৰাজসকল। সেয়েহে তেওঁলোকে মিলি ইংৰাজৰ বিৰুদ্ধে যুদ্ধৰ আঁচনি প্ৰস্তুত কৰিছিল।

ভাৰতৰ পণ্ডিচেৰী আছিল ফৰাচীসকলৰ প্ৰধান বাণিজ্য কেন্দ্ৰ। মহীশূৰৰ শাসনকৰ্তা টিপু চুলতানে সীমাহীনভাৱে উৎসাহ আৰু উদ্যম পাইছিল ১৭৮৯ খ্ৰিষ্টাব্দৰ 'ফৰাচী বিপ্লৱ'ৰপৰা। ফৰাচী বিপ্লৱৰ হোতা নেপ'লিয়ন ব'নাপাৰ্ট হৈ পৰিছিল তেওঁৰ বাবে এজন দাৰ্শনিক, বন্ধু আৰু পথ-প্ৰদৰ্শক। নিজ দেশক ইংৰাজৰ কবলৰপৰা মুক্ত কৰাৰ উদ্দেশ্যেৰে টিপু চুলতানে ফৰাচী শক্তিৰ লগত যোগাযোগ স্থাপন কৰিছিল। নেপ'লিয়ন ব'নাপাৰ্টৰ ইজিপ্ত জয়ৰ অভিযানত টিপু চুলতানে তেওঁক সহায়ৰ হাত আগবঢ়াইছিল। নেপ'লিয়ন ব'নাপাৰ্টৰ চিৰশত্ৰু ইংৰাজ জাতিক ভাৰতৰপৰা বিতাড়িত কৰিবলৈ নেপ'লিয়নে টিপুৰ লগত আঁচনি প্ৰস্তুত কৰিছিল।

ওঠৰ শতিকাৰ শেষৰ দুই দশকমানলৈকে টিপু চুলতান আৰু নেপ'লিয়ন ব'নাপাৰ্টৰ মাজত যোগাযোগ আছিল। সেই সময়ত ব্ৰিটিছ ভাৰতৰ গৱৰ্ণৰ জেনেৰেল ছাৰ জন চ'ৰৰ ঠাইত নতুন গভৰ্ণৰ জেনেৰেলৰ পদত অধিষ্ঠিত হৈছিল লৰ্ড ৱেলেচলী। কোনো আপোচ নকৰাকৈ লৰ্ড ৱেলেচলীয়ে টিপু চুলতানৰ অধীনৰ মহীশূৰ আক্ৰমণ কৰে। ব্ৰিটিছে মহীশূৰ আক্ৰমণ কৰাৰ সময়ত ফৰাচী নেতা নেপ'লিয়ন ব'নাপাৰ্ট চিৰিয়া আক্ৰমণৰ অভিযানত ব্যস্ত আছিল। এইখনেই আছিল শেষ তথা চতুৰ্থখন ইংৰাজ-মহীশূৰ যুদ্ধ।

কিছুসংখ্যক বুৰঞ্জীবিদৰ মতে নেপ'লিয়ন ব'নাপাৰ্টে টিপু চুলতানলৈ এখন পত্ৰ প্ৰেৰণ কৰিছিল। পত্ৰখনত নেপ'লিয়নে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতবৰ্ষক শোষণ কৰা বুলি উল্লেখ কৰিছিল। টিপু চুলতানৰ সৈতে তেওঁ ভাৰতৰপৰা ইংৰাজসকলক বিতাড়িত কৰাৰ বহুতো আঁচনি গ্ৰহণ কৰিছিল। টিপু চুলতান আৰু নেপ'লিয়ন ব'নাপাৰ্টৰ ৰাজনৈতিক মিত্ৰতা ইংৰাজসকলৰ কাৰণে এক সন্ত্ৰাসৰ কাৰণ হৈ পৰিছিল। ইংৰাজসকলৰ কাৰণে সবাতোকৈ সুখৰ দিন আছিল সেইটো—যিদিনা নেপ'লিয়ন ব'নাপাৰ্টক ইজিপ্তত বন্দী কৰা হৈছিল।

ফ্ৰান্সৰ সহায়ত ইংৰাজক ভাৰতৰপৰা বিতাড়ন কৰাৰ উদ্দেশ্যে সাহায্য সংগ্ৰহৰ প্ৰচেষ্টা চলাই নিজ কূটনৈতিক দক্ষতাৰ পৰিচয় দাঙি ধৰিছিল টিপু চুলতানে। তেওঁৰ যদি এই প্ৰচেষ্টা সফল হ'লহেঁতেন তেন্তে হয়তো ভাৰতবৰ্ষৰ ইতিহাসেই এক বেলেগ দিশত গতি কৰিলেহেঁতেন।

দুজন ঐতিহাসিক পুৰুষ টিপু চুলতান আৰু নেপ'লিয়ন ব'নাপাৰ্টৰ মাটিৰ দেহ কাহানিবাই মাটিত মিলি গ'ল, কিন্তু তেওঁলোকৰ স্মৃতি আৰু কীৰ্তি আজিও ইতিহাসৰ পাতত জিলিকি আছে। ❍

# চুড'কু

তলৰ আকৃতি দুটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰপৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড'কু ৫

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 2 | | 8 | 4 | 7 | 3 | 6 | 5 | 9 |
| 5 | 6 | 3 | | 1 | | 4 | | 7 |
| 4 | | 7 | 5 | 6 | 2 | 1 | 8 | |
| 9 | 8 | 4 | 6 | | 1 | 7 | 3 | 2 |
| 3 | | 1 | 2 | 4 | 7 | 8 | | 6 |
| 7 | 2 | | 3 | | 9 | 5 | 1 | |
| | 3 | | 8 | 9 | 4 | 2 | 7 | 1 |
| 1 | | 9 | 7 | | 5 | | 6 | |
| 8 | 7 | 2 | | 3 | 6 | 9 | 4 | 5 |

## চুড'কু ৬

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 1 | 9 | 5 | 7 | | 4 | 2 | 8 | |
| 4 | | | 2 | | | 1 | | 5 |
| 2 | | 8 | 1 | 3 | 5 | | 4 | 6 |
| 5 | 3 | | 9 | | 6 | 8 | | 7 |
| 6 | | 9 | | 7 | 1 | | 5 | |
| | 8 | 4 | 3 | | 2 | 6 | 1 | 9 |
| 3 | | 2 | | 1 | | 4 | 9 | |
| 9 | 4 | 6 | 5 | | 8 | 7 | | 1 |
| | 1 | | 4 | 9 | 3 | 5 | | 2 |

## চুড'কু ৩ আৰু ৪ৰ সমাধান

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 4 | 7 | 2 | 3 | 9 | 5 | 6 | 1 | 8 |
| 3 | 9 | 8 | 6 | 7 | 1 | 4 | 5 | 2 |
| 1 | 5 | 6 | 4 | 2 | 8 | 9 | 7 | 3 |
| 9 | 2 | 7 | 5 | 6 | 3 | 8 | 4 | 1 |
| 8 | 1 | 3 | 2 | 4 | 9 | 5 | 6 | 7 |
| 6 | 4 | 5 | 1 | 8 | 7 | 3 | 2 | 9 |
| 5 | 8 | 4 | 9 | 1 | 2 | 7 | 3 | 6 |
| 7 | 6 | 1 | 8 | 3 | 4 | 2 | 9 | 5 |
| 2 | 3 | 9 | 7 | 5 | 6 | 1 | 8 | 4 |

চুড'কু ১

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 9 | 7 | 1 | 8 | 3 | 4 | 2 | 6 | 5 |
| 5 | 6 | 8 | 1 | 2 | 7 | 9 | 4 | 3 |
| 2 | 4 | 3 | 5 | 9 | 6 | 8 | 7 | 1 |
| 1 | 8 | 4 | 9 | 7 | 5 | 6 | 3 | 2 |
| 7 | 9 | 5 | 3 | 6 | 2 | 4 | 1 | 8 |
| 3 | 2 | 6 | 4 | 8 | 1 | 5 | 9 | 7 |
| 8 | 3 | 7 | 6 | 5 | 9 | 1 | 2 | 4 |
| 6 | 1 | 2 | 7 | 4 | 8 | 3 | 5 | 9 |
| 4 | 5 | 9 | 2 | 1 | 3 | 7 | 8 | 6 |

চুড'কু ২

**শুদ্ধ উত্তৰ দিওঁতা :** উপমা শৰ্মা (৭ম), হিমাংশু কলিতা (৬ষ্ঠ), অংকিতা কলিতা (৬ষ্ঠ), ধীৰাস্মিতা বৰ্মন (৮ম), কাবেৰী তামুলী (৯ম), জ্যোতি ডেকা (৭ম), অংকিতা খনিকৰ (৮ম), প্ৰাচুৰ্য শালৈ (৬ষ্ঠ), মৃগাংক মহন্ত (৪ৰ্থ), জ্যোতিস্মিতা ডেকা (৭ম)।

# বৰ্ণ ক্ৰমাংক সম্পৰ্কীয় সমস্যা

■ ঘনশ্যাম মেধি

তলৰ প্ৰশ্নসমূহত এটা শব্দৰ বৰ্ণবোৰ নিৰ্দিষ্ট এটা নিয়মত অন্য এটা শব্দৰ বৰ্ণৰে সলোৱা হৈছে। আমি সেই নিৰ্দিষ্ট নিয়মটো উলিয়াই প্ৰশ্নটো সমাধান কৰিব লাগে। এনে ধৰণৰ বিভিন্ন প্ৰশ্নৰ লগত জড়িত নিৰ্দিষ্ট নিয়মবোৰ বিভিন্ন ধৰণৰ। কেইটামান উদাহৰণৰ সহায়ত এনেধৰণৰ কেতবোৰ সমস্যাৰ সমাধান কৰা হ'ল।

তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰৰ বাবে 5টাকৈ বিকল্প দিয়া আছে। শুদ্ধটো বাছি উলিওৱাঁ।

1. যদি 'PICTURE' শব্দটো 'QHDSVQF' শব্দটোৰে বুজোৱা হয়, তেন্তে 'BROWSER' শব্দটো কেনেদৰে বুজোৱা হ'ব? (i, ii, iii, iv, vৰ ভিতৰত শুদ্ধ উত্তৰটো আছে।)

   (a) CQVVTDS (b) CQPVTDS (c) CQPUTDS (d) CQVPPDS (e) এটাও নহয়

সমাধান : $P \xrightarrow{+1} Q$ ঠিক সেইদৰে $B \xrightarrow{+1} C$

$I \xrightarrow{-1} H$ $R \xrightarrow{-1} Q$

$C \xrightarrow{+1} D$ $O \xrightarrow{+1} P$

$T \xrightarrow{-1} S$ $W \xrightarrow{-1} V$

$U \xrightarrow{+1} V$ $S \xrightarrow{+1} T$

$R \xrightarrow{-1} Q$ $E \xrightarrow{-1} D$

$E \xrightarrow{+1} F$ $R \xrightarrow{+1} S$


∴ BROWSER শব্দটো CQPVTDSৰে বুজোৱা হ'ব।

উত্তৰ : (c) CQPVTDS


2. কোনো এটা নিৰ্দিষ্ট নিয়মত 'ITNIETAM'ক 'INTIMATE'ৰে বুজোৱা হয়। তেনেহ'লে 'TREVNIETARBI'ক কেনেদৰে লিখা হ'ব?

   (a) INVRETIBRATE (b) INVERTIBARTE (c) INVERTIBRETA
   (d) INVERTIBRATE (e) INVERITBARTE

সমাধান :




সেইদৰে





উত্তৰ : (b) INVERTIBRATE


3. নিৰ্দিষ্ট নিয়ম এটাত 'GIVE' শব্দটো 'VIEG' হিচাপে লিখা হয়। যদি 'OVER' শব্দটো 'EVRO' হিচাপে লিখা হয়, তেন্তে DISK কেনেদৰে লিখা হ'ব?

উত্তৰ : (a) SIDK (b) KISD (c) KDSI (d) SIKD (e) ওপৰৰ এটাও নহয়


সমাধান :




আৰু




সেইদৰে





উত্তৰ : (d) SIKD


4. নিৰ্দিষ্ট এটা নিয়মত 'BAT'ক 'YZG' হিচাপে লিখা হয়, তেনেহ'লে 'SICK'ক কেনেদৰে লিখা হ'ব?

উত্তৰ : (a) HRYV (b) HRZP (c) HRXP (d) RHPX (e) এটাও নহয়

সমাধান :




সেইদৰে




উত্তৰ : (c) HRXP

**অনুশীলনী**

1. যদি 'FISH' শব্দটো 'EHRG' শব্দৰে বুজোৱা হয় তেন্তে 'JUNGLE' শব্দটো কেনেদৰে লিখা হ'ব?
(a) ITMFKD (b) IFNFKD (c) KVOHMF (d) TIMFKD (e) এটাও নহয়

2. যদি 'GIRL'ক FISKৰে বুজোৱা হয়, তেন্তে 'BOY'ক কেনেদৰে লিখা হ'ব?

(a) CPX (b) APX (c) APZ (d) CPZ (e) এটাও নহয়

3. 'HAPPX' শব্দটো IBQQZ হিচাপে লিখিলে SORROW শব্দটো কেনেদৰে লিখা হ'ব?

(a) TPSSXX (b) TPSSPX (c) TPPSPX (d) TPSSSX (e) এটাও নহয়

4. যদি TABLECLOTH শব্দটো 'XEMRANRIXT' হিচাপে লিখা হয়, তেন্তে HOTEL শব্দটো কেনেদৰে লিখা হ'ব?

(a) RIXAT (b) TIXAR (c) TAXIR (d) RAXIT (e) এটাও নহয়

5. যদি MIRACLE শব্দটো NKUEHRL হিচাপে লিখা হয়, তেন্তে GAMBLE শব্দটো কেনেদৰে লিখা হ'ব?

(a) JDOCMF (b) CLEMNK (c) HCPFQK (d) AELGMN (e) এটাও নহয়

উত্তৰ : (1) a (2) b (3) b (4) b (5) c

## তোমালোকে জানানে?

১। প্ৰতিমাহে প্ৰায় ৬০০০ নতুন কম্পিউটাৰ ভাইৰাছৰ আগমন হয়।

২। "TYPEWRITER" হ'ল কম্পিউটাৰ কি-ব'ৰ্ডৰ এটা শাৰীতে থকা আখৰেৰে লিখিব পৰা আটাইতকৈ দীঘল শব্দ।

৩। কম্পিউটাৰ ব্যৱহাৰকাৰী এজনে এক মিনিটত গড়ে প্ৰায় ৭ বাৰ চকু টিপ মাৰে, য'ত সাধাৰণ মানুহ এজনে এক মিনিটত ২০ বাৰ চকু টিপ মাৰে।

৪। গড়ে প্ৰতি কৰ্মদিনত এজন টাইপিষ্টৰ হাতৰ আঙুলিয়ে ১২.৬ মাইল দুৰত্ব অতিক্ৰম কৰে।

৫। কম্পিউটাৰত কোনেও CON নামৰ Folder বনাব নোৱাৰে। কাৰণ CON শব্দটো কম্পিউটাৰৰ ছিষ্টেমত সংৰক্ষিত এটা শব্দ।

৬। ২০১২ চনত প্ৰায় ১৭ বিলিয়ন (১ বিলিয়ন = ১০০ কোটি) বিভিন্ন কম্পিউটাৰ, টেব্‌লেট আৰু ম'বাইল ইণ্টাৰনেটৰ লগত সংযুক্ত হয়।

৭। Googleৰ অনুমান অনুসৰি বৰ্তমান ইণ্টাৰনেটত প্ৰায় ৫ নিযুত টেৰাবাইট (১ টেৰাবাইট = ১০২৪ গিগাবাইট) তথ্য আছে। এই আটাইবোৰ তথ্য সংৰক্ষণ কৰিবলৈ ২০০ নিযুত ব্লু-ৰে' ডিস্কৰ প্ৰয়োজন হ'ব।

৮। পৃথিবীৰ প্ৰায় ১,৩১৯,৮৭২,১০৯ জন মানুহে ইণ্টাৰনেট ব্যৱহাৰ কৰে।

৯। ইউটিউবত প্ৰতি মিনিটত ১০ ঘণ্টাৰ ভিডিঅ' আপলোড হয়।

১০। ইণ্টাৰনেটৰ লগত সংযুক্ত প্ৰায় ১৮০ কোটি মানুহৰ ভিতৰত কেৱল ৪৫ কোটি মানুহেহে ইংৰাজী ক'ব পাৰে।

# চণ্ডীগড়ৰ ৰক গাৰ্ডেন

■ সংগীতা দাস



নাম : নেকচান্দ; পেছা : গড়কাপ্তানী বিভাগৰ পথ পৰিদৰ্শক। স্থান : চণ্ডীগড়; সময় : ১৯৫৮-৫৯ চন। চণ্ডীগড় চহৰত পূৰ্ণ ব্যস্ততা। চহৰখনক পৰিকল্পিত চহৰৰূপে গঢ় দিয়াৰ ব্যস্ততা। এই সপোন পূৰণ হ'লেই চণ্ডীগড় হ'ব ভাৰতবৰ্ষৰ প্ৰথমখন পৰিকল্পিত চহৰ। এই সপোনৰ লগতে আৰু এটা সপোনে পাখি মেলিছিল—পথ পৰিদৰ্শক নেকচান্দৰ মনত।

নিজৰ কৰ্তব্য শেষ কৰি নেকচান্দে প্ৰায়ে হিমালয়ৰ শিৱালিক পাদদেশ অঞ্চলত ঘূৰি ফুৰিছিল। তাত তেওঁ বিভিন্ন আকৃতিৰ শিলবোৰ দেখি মুগ্ধ হৈছিল আৰু তেওঁৰ শিল্পীসুলভ মনটোৱে সেই শিলবোৰতেই বিচাৰি পাইছিল মানুহ, বিভিন্ন জন্তু, চৰাই আদিৰ প্ৰতিকৃতি। এয়েই আৰম্ভণি। তেওঁ তেওঁৰ বাইচাইকেলখনেৰে এই শিলবোৰ কঢ়িয়াবলৈ ধৰিলে চণ্ডীগড়ৰ চুকনা লেকৰ পাৰৰ এটা গভীৰ উপত্যকা অঞ্চললৈ। তদুপৰি চহৰখনৰ পুনৰ গঠনৰ কামত সেই সময়ত প্ৰায় ২৪ খনমান গাঁও প্ৰশাসনে ভাঙি পেলাবলগীয়া হৈছিল। এই গাঁওবোৰ ভাঙোতে যিবোৰ আৱৰ্জনা ওলাইছিল, নেকচান্দে অতি আলফুলে সেই বস্তুবোৰ গোটাই যাবলৈ ধৰিলে। এই বস্তুবোৰ আছিল—ভঙা বেচিন, টাইলছৰ টুকুৰা, ভঙা চাইকেল, টায়াৰ, টিউব, বিভিন্ন বৈদ্যুতিক সামগ্ৰীৰ ভঙা টুকুৰা, কাপ-প্লেট, কাচৰ খাৰু, কলহ ইত্যাদি। এই সামগ্ৰীসমূহো তেওঁ চুকনা লেকৰ পাৰৰ উপৰোক্ত গভীৰ উপত্যকাটোত জমা কৰিবলৈ ধৰিলে। এই জনপ্ৰাণীহীন প্ৰায় বাৰ একৰ মাটিৰ অঞ্চলটোতে নেকচান্দ নামৰ ভাস্কৰজনৰ সপোনে বাস্তৱ ৰূপ পাবলৈ ধৰিলে সংগোপনে।

ভঙা কাচৰ খাৰুবোৰেৰে তেওঁ নিৰ্মাণ কৰিলে বিভিন্ন আকৃতিৰ ৰং-বিৰঙৰ বহুতো পুতলা। মাটিৰ কলহবোৰো সুন্দৰ শৈলীৰে সজাই তুলিলে। অসংখ্য মূৰ্তি নিৰ্মাণ কৰিলে ভঙা টাইলচৰ টুকুৰাবোৰেৰে। ক'ৰবাত হয়তো পুৰণি টায়াৰবোৰেই সজাই থৈছে শিল্পীসুলভ অনুভূতিৰে। তদুপৰি ভঙা কাপ-প্লেট, ভঙা বাচন-বৰ্তনবোৰে ৰূপ পালে একো একোটা সুন্দৰ শিল্পশৈলীৰ। ইলেকট্ৰিক তাঁৰ আৰু অন্যান্য পেলনীয়া সামগ্ৰীসমূহেৰে নেকচান্দে বিভিন্ন শিল্পকৰ্মৰ সৃষ্টি কৰিলে। জনপ্ৰাণীহীন এই বিশাল উপত্যকাত তেওঁ তেওঁৰ সৃষ্টিসমূহ সজাই গ'ল।

১৯৭৫ চনত এই শিল্পকৰ্ম আৱিষ্কৃত হয়। ইতিমধ্যে ভাস্কৰ নেকচান্দে তেওঁৰ প্ৰথম পৰ্যায়ৰ কাম সমাপ্ত কৰি দ্বিতীয় পৰ্যায়ৰ কামত ধৰিছিল। চৰকাৰে নেকচান্দৰ কামক স্বীকৃতি দিয়ে আৰু তেওঁৰ দ্বিতীয় পৰ্যায়ৰ কাম সম্পূৰ্ণ কৰাত সহায় কৰে।

১৯৭৬ চনত ৰাইজৰ বাবে নেকচান্দৰ এই ৰক গাৰ্ডেন মুকলি কৰি দিয়া হয়। প্ৰায় ৪০ একৰ মাটিৰ এই গাৰ্ডেনত প্ৰৱেশ কৰিলে এখন বিস্ময়কৰ পৃথিৱীত ভৰি দিয়া যেনহে লাগে। গাৰ্ডেনখনৰ ভিতৰত দুটাকৈ কৃত্ৰিম জলপ্ৰপাত দেখা যায়। ৰক গাৰ্ডেনত বিভিন্ন দেশৰ পৰ্যটক লগ পোৱা যায়। তাজমহলৰ পিছতেই ভাৰতবৰ্ষত পৰ্যটকৰ বাবে দ্বিতীয়খন জনপ্ৰিয় ঠাই ৰূপে স্বীকৃতি পাইছে নেকচান্দৰ ৰক গাৰ্ডেনে।

ৰক গাৰ্ডেনৰ তৃতীয় পৰ্যায়ৰ কাম এতিয়াও চলি আছে। আপুনি যদি সৌভাগ্যবান, তেতিয়া হয়তো আপুনি এই গাৰ্ডেনত ঘূৰি ফুৰোতে হঠাতে লগ পাই যাব পাৰে সৌশৰীৰে শিল্পী নেকচান্দই নিজেই কামৰ তদাৰক কৰি থকা অৱস্থাত। নেকচান্দৰ এই বিস্ময়কৰ সৃষ্টিৰ বাবে ভাৰত চৰকাৰে তেওঁক পদ্মশ্ৰী সন্মান আগবঢ়ায়। ○

# ৰহাৰ ৰহদৈ, তিপামৰ ভাদৈ, শলগুৰিৰ আঘোণী বাই...

■ সোণালী গগৈ

আহোম ৰাজ্যত সংকট কাল। ক্ষমতালোভী মন্ত্ৰী-বিষয়াৰ ষড়যন্ত্ৰত প্ৰাণ গ'ল ন-জন আহোম ৰাজকোঁৱৰৰ। এই সংকট কালৰে এজন ৰজা আছিল চুলিক্ফা বা ল'ৰা ৰজা। মন্ত্ৰী লালুকসোলা বৰফুকনৰ নিৰ্দেশত আহোম ৰাজ্যত চলিছে ৰজা হোৱাৰ উপযুক্ত কোঁৱৰৰ অংগক্ষত অভিযান। এই অভিযানৰ অন্যতম লক্ষ্য হ'ল গদাপাণি। তুংখুঙীয়া ফৈদৰ গদা কোঁৱৰ। পত্নী জয়মতীৰ অনুৰোধ আৰু দেশৰ ভৱিষ্যৎ সুৰক্ষাৰ বাবে তাৎক্ষণিকভাৱে বিদ্ৰোহ নকৰি আত্মগোপন কৰিলে। আহোম ৰাজ্যৰ চৌদিশে চোৰাংচোৰা মেলি দিয়া হ'ল। তথাপি, চোৰাংচোৰাৰ চকুত ধূলি দি গদাপাণিয়ে আহোম ৰাজ্যৰ ইমূৰৰপৰা সিমূৰলৈ ঘূৰি ফুৰিলে। আহোম ৰাজ্যৰ আভ্যন্তৰীণ গাঁথনিৰ ভু ল'লে আৰু ভু পালে।

এনেদৰেই ঘূৰি ফুৰোতে হঠাৎ এদিন এঠাইত চোৰাংচোৰাৰ চকুত ধৰা পৰোঁ পৰোঁ অৱস্থা ! হঠাৎ দেখা গ'ল তিনিগৰাকী পোহাৰীয়ে চুলি মেলি, কপাল চপৰিয়াই, বুকু ঢকিয়াই কান্দিব লাগিছে। তেওঁলোকৰ সন্মুখত এজন মানুহ শুৱাই থোৱা আছে আৰু বগা চাদৰেৰে মানুহজন ঢাকি থোৱা আছে। চোৰাংচোৰাৰ লোক কাষ চাপি আহিল। হঠাৎ এগৰাকী পোহাৰীয়ে দেখিলে, প্ৰকাণ্ড ভৰি দুখনৰ পতা দুখন ওলাই আছে। সময় নাই, ভৰি দুখন খামুচি ধৰি, ভৰি দুখনৰ ওপৰত উবুৰি খাই পৰি হিয়ালি-জিয়ালিকৈ কান্দিবলৈ ধৰিলে। চোৰাংচোৰাই ঘটনা সন্দৰ্ভত এগৰাকীক সোধ-পোচ কৰিলে। মৰাশটো তাৰপৰা আঁতৰাই লৈ যোৱাৰ কথা ক'লে। তেতিয়া তেওঁলোকে ক'লে যে, সেইজন তেওঁলোকৰ স্বামী। তেওঁৰ মৃত্যু ঘটিছে। কিন্তু তিনিওগৰাকী সতিনীয়ে মৰাশটো তাৰপৰা নিবলৈ নিদিয়ে। লাগিলে তেওঁলোকেই স্বামীৰ লগত মৰিব।

আনহাতে চোৰাংচোৰাই সেই সৰু কথাটোত মূৰ সোমোৱাৰ প্ৰয়োজনবোধ নকৰিলে। কিয়নো গদাপাণিক বিচাৰি উলিয়াব লাগে। তাৰে মৰা শ তাতে এৰি আঁতৰি গ'ল। লাহে লাহে তিৰোতাকেইগৰাকীও সংযত হ'ল। চাদৰ গুচাই গাত মেৰাই ল'লে। ওলাই পৰিল মৰাশৰূপী গদাপাণি। কৃতজ্ঞতাত গদ গদ হৈ পৰিচয় বিচাৰিলে তিনি তিৰোতাৰ। তেওঁলোক হ'ল তিপামৰ ভাদৈ, ৰহাৰ ৰহদৈ আৰু শলগুৰিৰ আঘোণী বাই। পেছাত তেওঁলোক তিনিওগৰাকী পোহাৰী। বিভিন্ন ঠাইৰ হাটে-বজাৰে বেপাৰ কৰি ফুৰে। এনেদৰেই তেওঁলোকে জানিব পাৰিছিল আহোম ৰাজসিংহাসনক লৈ হোৱা ষড়যন্ত্ৰৰ কথা। সেয়ে দেখিয়েই ধৰিব পাৰিছিল সেই বিশাল শৰীৰৰ ব্যক্তিজনক। তেওঁক বচাবৰ বাবেই তেওঁলোকৰ এই অভিনয়। সুন্দৰ, নিখুঁত অভিনয়, যাৰ বাবে মৃত্যুৰ দুৱাৰডলিৰপৰা উভতি আহিল গদাপাণি। তিনিওগৰাকী সাধাৰণ তিৰোতাই অসাধাৰণ প্ৰতিভাৰে চিৰদিনলৈ ইতিহাসত জিলিকি থাকিল। সেই সময়ত হাটে-বজাৰে ঘূৰি-ফুৰি বেপাৰ কৰিব পৰাকৈ আহোম ৰাজ্যৰ অৰ্থনৈতিক ব্যৱস্থা আছিল যথেষ্ট উন্নত।

বৰ্তমান নাহৰকটীয়া, ডুলীয়াজান, ডিগবৈ আৰু অৰুণাচলৰ কিছু কিছু অংশই আছিল তাহানিৰ তিপাম ৰাজ্য। শলগুৰি আছিল শিৱসাগৰ জিলাৰ জয়সাগৰৰ দক্ষিণ দিশৰ এখন ঠাই, ৰহা আছিল নগাঁও জিলাত। উল্লেখনীয় যে তিনিওগৰাকীৰ মাজত ইয়াৰ আগলৈকে কোনো চিনাকি নাছিল। সেয়ে এই তিনিওগৰাকীক লৈ আমাৰ সমাজত এতিয়াও প্ৰচলিত—

ৰহাৰ ৰহদৈ তিপামৰ ভাদৈ
শলগুৰিৰ আঘোণী বাই
তিনিও, তিনিওৰে ডিঙিত ধৰি কান্দিলে
সম্বন্ধত একোটি নাই।

কোনো উচ্চ পদবীধাৰী বা ৰাজপৰিয়ালৰ সদস্য নহ'লেও এওঁলোকেও বিচাৰিছিল এজন সুস্থ, সবল প্ৰজাৰঞ্জক ৰজাক, এখন সুস্থ সমাজ, শান্তিৰে বিৰাজ কৰা এখন ৰাজ্য য'ত হিংসা, দ্বেষ নাথাকে। ○

# গৰুৰ শিং, গঁড়ৰ খড়্গ, হৰিণৰ শিং একেই নে?

■ বনানী ডেকা



**হৰিণৰ শিং :** হৰিণৰ শিঙক এণ্টলাৰ (Antlar) বুলি কোৱা হয়। এণ্টলাৰবোৰ চাৰ্ভিডি (Cervidae) গোত্ৰৰ জীৱসমূহত দেখা এটা বৈশিষ্ট্যপূৰ্ণ গঠন। এই গোত্ৰক হৰিণ গোত্ৰ (deer family) বুলিও জনা যায়। এই গঠনবোৰ লাওখোলাৰপৰা ওলায়। এণ্টলাৰ হৰিণৰ মতাবোৰৰ ক্ষেত্ৰতহে দেখা যায়।

এণ্টলাৰ গঠনৰ প্ৰক্ৰিয়া পিটুইটাৰী গ্ৰন্থি (Pituitary gland) আৰু শুক্ৰাশয় (Testis)ৰদ্বাৰা নিৰ্গত হোৱা কিছুমান হ'ৰম'নৰদ্বাৰা নিয়ন্ত্ৰিত। সাধাৰণতে এপ্ৰিল বা মে' মাহত এই কাৰ্যৰ আৰম্ভণি হয়। আৰম্ভণি অৱস্থাত এণ্টলাৰৰ হাড়ত যথেষ্ট পৰিমাণৰ পানী আৰু প্ৰ'টিন পোৱা যায়। গঠনৰ প্ৰক্ৰিয়া আগবঢ়াৰ লগে লগে হাড়-চুলিৰে আবৃত কোমল ছালেৰে ঢাক খাই পৰে। ছালখনত তেজৰ সিৰা-উপসিৰা আৰু স্নায়ুও থাকে। এই ছালখনক ভেলভেট (Velvet) বুলি কোৱা হয়। এণ্টলাৰ গঠনৰ শেষ পৰ্যায়ত ভেলভেটখন শুকাই যায়। লগতে কোমল হাড় ক্ৰমে কঠিন হৈ আহে। শুকান ভেলভেটখন প্ৰাণীবোৰে ঘাঁহনি আৰু শিলত ঘঁহাই ঘঁহাই এৰুৱাই পেলায়। এনে কৰোঁতে হাড়েৰে নিৰ্মিত এণ্টলাৰবোৰ কিছু পৰিমাণে মটীয়া বৰণৰ হৈ পৰে। শীতৰ দিনত যেতিয়া দিনবোৰ চুটি হৈ আহিবলৈ ধৰে, এণ্টলাৰ গঠনকাৰী হ'ৰ'মনবোৰ কমি যায়। লাহে লাহে এণ্টলাৰৰ হাড়ৰ কেলছিয়াম নাইকিয়া হ'বলৈ ধৰে। ইয়াৰ ফলত এণ্টলাৰ আৰু লাওখোলাৰ হাড়ৰ সন্ধিস্থল দুৰ্বল হৈ পৰে। অৱশেষত হৰিণৰ শিং, অৰ্থাৎ এণ্টলাৰ খহি পৰে। গতিকে শীতৰ শেষৰফালে মতা হৰিণবোৰ শিংবিহীন হৈ পৰে।

**গৰুৰ শিং :** গৰুৰ শিঙক হৰ্ণ বোলা হয়। এনে ধৰণৰ শিং ব্ৰ'ভিডি (Bovidae) গোত্ৰৰ জীৱবোৰত পোৱা যায়।



এই গোত্ৰৰ প্ৰাণীৰ উদাহৰণ হৈছে গৰু, ছাগলী, ভেড়া ইত্যাদি। হৰিণৰ শিঙৰ দৰে এইবোৰ শাখাযুক্ত নহয়, এইবোৰ শাখাবিহীন।

গৰুৰ শিং কেৰাটিন (Keratin) নামৰ প্ৰ'টিনৰদ্বাৰা গঠিত আৱৰণৰে আবৃত। কিন্তু হৰিণৰ শিং কেৰাটিনৰ আৱৰণেৰে আবৃত নহয়। কেৰাটিন মানুহৰ নখ আৰু চুলিতো পোৱা যায়। এই ধৰণৰ শিং, অৰ্থাৎ গৰুৰ শিং প্ৰথমেই লাওখোলাৰপৰা উৎপত্তি নহয়। এই শিংবোৰ ছালৰ তলত সৰু হাড়ৰ টুকুৰাৰ দৰে উৎপত্তি হয়। এই সৰু হাড়বোৰক অ'চিক'নচ (Ossicones) বোলা হয়। অ'চিক'নচবোৰৰ পৰাই শিং গঠন হয়। পিছলৈ এই শিঙৰ হাড় লাওখোলাৰ লগত লগ লাগি যায়। এনে ধৰণৰ শিঙৰ গঠনৰ প্ৰক্ৰিয়া আজীৱন কিছু কিছু পৰিমাণে চলি থাকে। হৰিণৰ শিঙৰ দৰে গৰুৰ শিং কেতিয়াও খহি নপৰে। এনে শিং সাধাৰণতে ডাঙৰ প্ৰজাতিবোৰৰ মতা আৰু মাইকী দুয়োটাতে থাকে। অৱশ্যে কিছুমান সৰু প্ৰজাতিৰ অকল মতাবোৰৰ ক্ষেত্ৰতহে এনে শিং দেখা যায়।



**গঁড়ৰ খড়্গ :** গঁড়ৰ খড়্গক কৰ্ণ (Corn) বোলা হয়। গঁড়ৰ খড়্গ লাওখোলাৰ লগত সংলগ্ন হৈ নাথাকে। গঁড়ৰ খড়্গত হাড় নাথাকে। ই ছালৰপৰা গঠিত। ছাল সাধাৰণতে দুটা তৰপেৰে গঠিত— বাহিৰৰ বহিস্ত্বক (Epidermis) আৰু ভিতৰৰ অনুস্ত্বক (Dermis)। গঁড়ৰ খড়্গ বহিস্ত্বকৰ কিছুমান কোষ আৰু অনুস্ত্বকৰ ওপৰত থকা কিছুমান টোপোৰাৰ দৰে (Nipple like structure) অংশৰপৰা উৎপত্তি হয়। গঁড়ৰ খড়্গটোত চুলিত থকাৰ দৰে কেৰাটিন প্ৰ'টিন থাকে। ○

# মানসিক সামৰ্থ্য বিকাশ

■ ৰবীন্দ্ৰ বৰ্মন

1. প্ৰথম চিত্ৰত থকা সংখ্যাবোৰৰ মাজত থকা সম্পৰ্ক উলিওৱাঁ আৰু সেইমতে ? চিনৰ ঠাইত কি সংখ্যা বহিব উলিওৱাঁ।


| | | |
|---|---|---|
| 3 | 15 | 9 |
| 12 | 6 | 18 |


| | | |
|---|---|---|
| 5 | 25 | 15 |
| 20 | ? | 30 |

উত্তৰ : প্ৰথম চিত্ৰৰ সংখ্যাবোৰ 3ৰ গুণিতক। দ্বিতীয় চিত্ৰৰ সংখ্যাবোৰ 5ৰ গুণিতক। দ্বিতীয় চিত্ৰৰ '?' চিন নথকা ঠাইত প্ৰথম চিত্ৰত 6 আছে আৰু $3 \times 2 = 6$।

$\therefore$ '?' চিনৰ ঠাইত থকা সংখ্যাটো $= 5 \times 2 = 10$.

2. তলৰ চিত্ৰ দুটা নিৰীক্ষণ কৰি '?' চিত্ৰৰ ঠাইত কি সংখ্যা বহিব উলিওৱাঁ।









উত্তৰ : প্ৰথম চিত্ৰত থকা সংখ্যাবোৰৰ নিয়ম :

1ৰ বিপৰীতে থকা ঘৰটোত আছে 2। তাৰপৰা ঘড়ীৰ কাঁটাৰ দিশত এঘৰ আগুৱাই আছে 3। 3ৰ বিপৰীতে আছে 4। তাৰপৰা ঘড়ীৰ কাঁটাৰ দিশত এঘৰ আগুৱাই আছে 5। 5ৰ বিপৰীতে আছে 6। তাৰপৰা ঘড়ীৰ কাঁটাৰ দিশত এঘৰ আগুৱাই আছে 7। 7ৰ বিপৰীতে আছে 8।

একে নিয়মেৰে দ্বিতীয় চিত্ৰৰ '?' চিনৰ ঠাইত হ'ব 18।

3. প্ৰথম চিত্ৰৰ সংখ্যাবোৰৰ নিয়মটো উলিয়াই দ্বিতীয় চিত্ৰৰ '?' চিত্ৰৰ ঠাইত কি সংখ্যা হ'ব উলিওৱাঁ।




উত্তৰ : প্ৰথম চিত্ৰ থকা সংখ্যাবোৰৰ মাজৰ সম্পৰ্কটো হ'ল $(98 + 35) - 3 = 130$

দ্বিতীয় চিত্ৰত, $(106 + 11) - 7 = 110$

$\therefore$ '?' চিনৰ ঠাইত হ'ব 110।

4. প্ৰথম চিত্ৰৰ সংখ্যাবোৰৰ নিয়মটো উলিয়াই দ্বিতীয় চিত্ৰৰ '?' চিনৰ ঠাইত কি সংখ্যা হ'ব উলিওৱাঁ।




উত্তৰ : প্ৰথম চিত্ৰত,

$(5 \times 3) + 2 = 17$


দ্বিতীয় চিত্ৰত, $(7 \times 4) + 5 = 33$

$\therefore$ '?' চিনৰ ঠাইত হ'ব 33।

## অনুশীলনী


তলৰ চিত্ৰবোৰৰ '?' চিন থকা ঠাইত কি সংখ্যা হ'ব উলিওৱাঁ। a, b, c, dৰ ভিতৰত এটা শুদ্ধ উত্তৰ আছে।

1.





(a) 30 (b) 40 (c) 56 (d) 45

2.





(a) 12 (b) 24 (c) 30 (d) 9

3.





(a) 16 (b) 49 (c) 18 (d) 20

4.




(a) 130 (b) 370 (c) 220 (d) 160

5.




(a) 30 (b) 31 (c) 45 (d) 41


**উত্তৰসমূহ :**

1. c) 56 2. b) 24 3. a) 16

4. c) 220 5. d) 41

# বাৰাক হুছেইন ওবামা

■ কুশল গোস্বামী



বাৰাক হুছেইন ওবামাৰ জন্ম হৈছিল ইং ১৯৬১ চনৰ ৪ আগষ্ট তাৰিখে হাৱাইৰ হনোলুলু নামৰ ঠাইখনত। তেওঁৰ মাকৰ নাম ষ্টেনলি আন ডানহাম আৰু পিতাকৰ নাম বাৰাক ওবামা। মাক আছিল ব্ৰিটিছ বংশোদ্ভৱ আৰু জন্মগ্ৰহণ কৰিছিল কানচাচৰ উইচিতা নামে ঠাইত। পিতাক বাৰাক ওবামা কেনিয়াৰ লু জাতিৰ লোক আছিল। মানাওত হাৱাই বিশ্ববিদ্যালয়ত অধ্যয়নৰত অৱস্থাতে ষ্টেনলি আৰু বাৰাক ওবামা বিবাহপাশত আৱদ্ধ হয় ১৯৬১ চনৰ ২ ফেব্ৰুৱাৰি তাৰিখে। অৱশ্যে ষ্টেনলিয়ে যেতিয়া উচ্চ শিক্ষা লাভৰ বাবে ৱাশ্বিংটনলৈ যায় তেতিয়া তেওঁ সদ্যজাত শিশু বাৰাক হুছেইন ওবামাক নিজৰ লগত লৈ যায়। আনহাতে পিতাক বাৰাক ওবামাও ১৯৬২ চনত প্ৰাক্‌স্নাতক ডিগ্ৰী শেষ কৰি ১৯৬২ চনৰ জুন মাহত উচ্চ শিক্ষাৰ বাবে জলপানি লাভ কৰি হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ত নামভৰ্তি কৰে। ১৯৬৪ চনত ওবামা দম্পত্তিৰ বিবাহ বিচ্ছেদ হোৱাৰ পিছত ওবামা কেনিয়ালৈ উভতি যায় আৰু দ্বিতীয় বিবাহ কৰায়। পিতৃ ওবামাৰ এক পথ দুৰ্ঘটনাত ১৯৮২ চনত কেনিয়াত মৃত্যু হয়।

আনহাতে মাক ষ্টেনলিৰ ইণ্ডোনেছিয়াৰ ললো চোৱেটৰোৰ লগত ১৯৬৫ চনৰ মাৰ্চ মাহত দ্বিতীয় বিবাহ হয়। ১৯৬৬ চনত ললো তেওঁৰ পত্নী ষ্টেনলি আৰু বাৰাকক লগত লৈ ইণ্ডোনেছিয়ালৈ উভতি গৈ দক্ষিণ জাকাৰ্টাৰ টেবেট নামৰ ঠাইত থাকিবলৈ লয়। ছয় বছৰৰপৰা ১০ বছৰ বয়সলৈকে ওবামাই ইণ্ডোনেছিয়াৰ স্থানীয় ভাষাৰ বিদ্যালয়তে শিক্ষা জীৱনৰ যাত্ৰা আৰম্ভ কৰে।

স্কুলীয়া শিক্ষা লাভ কৰাৰ পাছত ওবামাই ১৯৭৯ চনত লজ এন্‌জেলচত থকা ওচিডেন্টেল কলেজত প্ৰৱেশ কৰে। তাৰ পিছত তেওঁ নিউইয়ৰ্কৰ কলম্বিয়া বিশ্ববিদ্যালয়ত 'আন্তঃৰাষ্ট্ৰীয় সম্বন্ধ'ক সন্মান বিষয়ৰূপে লৈ ৰাজনীতি বিজ্ঞান বিভাগত অধ্যয়ন কৰিবলৈ আহে আৰু ১৯৮৩ চনত কলাৰ স্নাতক ডিগ্ৰী লাভ কৰে। তেওঁ জাতিগত সমস্যাৰ বিষয়ে ১৯৯৫ চনত 'Dreams From My Father' নামৰ কিতাপখন প্ৰকাশ কৰে। ওবামাই আইন বিষয়ত পাৰদৰ্শিতা দেখুওৱাৰ ফল স্বৰূপে চিকাগো বিশ্ববিদ্যালয়ৰ আইন বিভাগত অধ্যাপকৰূপে কাম কৰাৰ বাবে আমন্ত্ৰণ লাভ কৰে আৰু ১৯৯২ চনত তেওঁ তাত যোগদান কৰে। সাংবিধানিক আইন বিষয়ত সুদীৰ্ঘ ১২ বছৰ শিক্ষকতা কৰাৰ মাজতেই তেওঁ ৰাজহুৱা কাম-কাজত জড়িত হৈ পৰে।

১৯৯২ চনত তেওঁ মানৱ অধিকাৰ বিষয়ত সৰব হৈ পৰে। শোষিত আৰু লাঞ্ছিত মানুহৰ দুখ নিৰাময়ৰ বাবে জনমত গঠন কৰি কেইবাটাও ৰাজহুৱা অনুষ্ঠানৰ লগত ঘনিষ্ঠ হৈ পৰে। ১৯৯৬ চনত তেওঁ ইলিজনাইচ চিনেটলৈ নিৰ্বাচিত হৈ ৰাজনৈতিক জীৱনৰ শুভাৰম্ভ কৰে। ২০০৪ চনত তেওঁ আমেৰিকা যুক্তৰাজ্যৰ চিনেট সভালৈ শতকৰা ৭০ ভাগ ভোট পাই নিৰ্বাচিত হৈ একমাত্ৰ কৃষ্ণাংগ প্ৰতিনিধি হয়। কিন্তু ২০০৮ চনৰ নৱেম্বৰ মাহত তেওঁ চিনেট সভাৰপৰা পদত্যাগ কৰি ৰাষ্ট্ৰপতি নিৰ্বাচন প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে জড়িত হৈ পৰে।

২০০৮ চনত অনুষ্ঠিত আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত তেওঁ ডেম'ক্ৰেটিক দলৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰে। বিৰোধী ৰিপাব্লিকান দলৰ মনোনীত প্ৰাৰ্থী জন মেককেইনক পৰাজিত কৰি তেওঁ আমেৰিকাৰ ৪৪ তম তথা প্ৰথম আফ্ৰিকান-আমেৰিকান ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হয়। ২০০৯ চনৰ ২০ জানুৱাৰিত কাৰ্যভাৰ গ্ৰহণ কৰাৰ ৯ মাহ পিছত নৱেম্বৰ মাহত তেওঁক শান্তিৰ ন'বেল বঁটা প্ৰদান কৰা হয়। ৰাষ্ট্ৰপতি হিচাপে প্ৰথম চাৰি বছৰত বহুতো গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিবলৈ সক্ষম হোৱাৰ বাবেই তেওঁ ২০১২ চনত পুনৰ আমেৰিকাৰ ৰাষ্ট্ৰপতি পদলৈ নিৰ্বাচিত হয়। ○

- **কোনো এটা বস্তু ৰঙীণ (ৰঙা, নীলা, সেউজীয়া ইত্যাদি) দেখা যায় কিয়?**

☞ পোহৰৰ ৰশ্মি কোনো বস্তুত পৰিলে তাৰ কিছু অংশ প্ৰতিফলিত হয়। কিছু অংশ শোষিত হয়। বস্তুবিধ স্বচ্ছ হ'লে অধিক অংশ প্ৰতিসৰিত হয়। প্ৰতিফলিত পোহৰ আমাৰ চকুত পৰিলে আমি সেই বস্তুটো দেখা পাওঁ। সকলো বস্তুৱে সমানে শোষণ, প্ৰতিফলন বা প্ৰতিসৰণ ঘটাব নোৱাৰে। বস্তুভেদে প্ৰতিফলিত আৰু শোষিত পোহৰৰ ৰঙো বেলেগ বেলেগ হয়। ধৰা হ'ল কোনো এবিধ বস্তুৱে বগা পোহৰৰ নীলা ৰঙটোৰ বাহিৰে আনবোৰ ৰং শোষণ কৰে আৰু নীলা ৰঙটো প্ৰতিফলিত কৰে। তেনেহ'লে বস্তুটোত পৰা পোহৰৰ নীলা অংশটোহে আমাৰ চকুত পৰিব। এই ক্ষেত্ৰত আমি বস্তুটোৰ ৰং নীলা দেখা পাওঁ। এই কথাটো আনবোৰ ৰঙৰ ক্ষেত্ৰতো প্ৰযোজ্য। কোনো এটা বস্তুত পৰা পোহৰৰ আটাইবোৰ ৰঙৰ পোহৰে যদি প্ৰতিফলিত হয় তেন্তে বস্তুটো বগা দেখা যাব; আৰু যদি আটাইবোৰ ৰঙৰ পোহৰে শোষিত হয়, তেন্তে বস্তুটো ক'লা দেখা যাব। সেয়েহে ক'লা ৰং প্ৰকৃততে এটা ৰং নহয়।

- **কাপোৰত নীল দিলে কাপোৰখন বেছি বগা দেখা যায় কিয়?**

☞ পোহৰ এবিধ বিদ্যুতচুম্বকীয় তৰংগ। এনে তৰংগ বিভিন্ন কম্পনাংকৰ হ'ব পাৰে। ইয়াৰে কিছুমানে আমাৰ চকুত দৃষ্টিৰ অনুভূতি জগায়। এনে পোহৰক দৃশ্যমান পোহৰ বোলে। অৰ্থাৎ এনে পোহৰৰ সহায়ত আমি বস্তু দেখা পাওঁ। ইয়াৰ বাহিৰে আন অংশই আমাৰ চকুত দৃষ্টিৰ অনুভূতি জগাব নোৱাৰে। সেইবোৰ অদৃশ্যমান। যেনে, অতিবেঙুনীয়া ৰশ্মি, অৱলোহিত ৰশ্মি ইত্যাদি।

কাপোৰত নীল দিলে নীলৰ কণিকাবোৰ কাপোৰখনত থকা সুতাৰ মাজৰ ফাঁকবোৰত সোমাই ওলাব নোৱৰাকৈ লাগি ধৰে। সূৰ্যৰপৰা অহা পোহৰৰ ৰশ্মিবোৰৰ লগতে অতিবেঙুনীয়া ৰশ্মিও থাকে। নীল নিদিয়া কাপোৰখনে অতিবেঙুনীয়া ৰশ্মিবোৰ সেইভাগেই প্ৰতিফলিত কৰি পঠিয়ায়। নীল দিয়া কাপোৰত থকা নীলৰ কণিকাবোৰে অতিবেঙুনীয়া ৰশ্মি শোষণ কৰি দৃশ্যমান পোহৰলৈ ৰূপান্তৰিত কৰে। ইয়াৰ ফলত কাপোৰখন অধিক বগা (উজ্জ্বল) দেখা যায়।

- **কাগজ এখনত চিঞাহীৰে লিখিলে মচিব নোৱাৰি, কিন্তু পেঞ্চিলেৰে লিখিলে মচিব পাৰি কিয়?**

☞ চিঞাহী এবিধ ৰঞ্জক পদাৰ্থ। কাগজত সৰু সৰু বিন্ধা থাকে। চিঞাহীৰে লিখিলে ৰঞ্জক পদাৰ্থৰ কণিকাবোৰ কাগজৰ বিন্ধাবোৰৰ মাজত সোমাই যায়। সেয়েহে ৰবৰ বা আন বস্তুৰে মচিলে তাৰ দাগ গুচি নাযায়।

পেঞ্চিল এডাল গ্ৰেফাইটেৰে তৈয়াৰী। গ্ৰেফাইট কাৰ্বনৰ বিশেষ ৰূপ। ইয়াত কাৰ্বনৰ পৰমাণুবোৰ এক ষড়ভুজাকৃতি সজ্জাত তৰপে তৰপে সজ্জিত হৈ থাকে। এই তৰপবোৰৰ মাজত আকৰ্ষণ বল দুৰ্বল। পেঞ্চিলেৰে লিখিলে কাগজৰ খহটা পৃষ্ঠত ঘঁহনি খাই গ্ৰেফাইটৰ কিছু কণিকা কাগজৰ পৃষ্ঠাত লাগি ধৰে। এনেদৰে পেঞ্চিলেৰে লিখিব পাৰি।


ৰবৰেৰে মচি দিলে গ্ৰেফাইটৰ কণিকাবোৰ ৰবৰত লাগি ধৰে। কাগজ আৰু গ্ৰেফাইটৰ কণিকাবোৰৰ মাজৰ আকৰ্ষণতকৈ ৰবৰ আৰু গ্ৰেফাইটৰ কণিকাবোৰৰ মাজৰ আকৰ্ষণ বেছি। সেয়েহে ৰবৰৰ সহায়ত পেঞ্চিলৰ দাগ মোহৰা সম্ভৱ।

- **পানী উতলালে বুৰবুৰণি উঠাৰ কাৰণ কি?**

☞ পানী উতলালে বুৰবুৰণি দুটা কাৰণত উঠে। পানীত অক্সিজেন গেছ কিছু পৰিমাণে দ্ৰৱীভূত হৈ থাকে। উতলালে এই অক্সিজেন গেছ বুৰবুৰণি কাটি ওলাই আহে। আনহাতে পানীৰ পাত্ৰটোৰ যি অংশ জুইৰ সংস্পৰ্শত থাকে সেই অংশটো অধিক গৰম হয়। সেই অংশৰ লগত লাগি থকা পানীৰ কিছু কণিকা তাপ পাই গেছীয় অৱস্থাপ্ৰাপ্ত হয় আৰু বুৰবুৰণি কাটি ওলাই আহে। কাচৰ পাত্ৰ এটাত পানী উতলাই মন কৰিলে দেখা যাব যে বুৰবুৰণিবোৰ তলিৰপৰাই আৰম্ভ হয়। ❍



ৰক গাৰ্ডেন, প্ৰসংগ পৃষ্ঠা ২৬



কুটুবমিনাৰ, প্ৰসংগ পৃষ্ঠা ১৬

## কেইটামান ফুটবল ক্লাবৰ ল'গ'


ৰিয়েল মাদ্ৰিদ, প্ৰসংগ পৃষ্ঠা ১৯

মানচেষ্টাৰ ইউনাইটেড, প্ৰসংগ পৃষ্ঠা ১৯

এফ চি বাৰ্চিল'না, প্ৰসংগ পৃষ্ঠা ১৯

আৰ্চেনাল, প্ৰসংগ পৃষ্ঠা ১৯


# ইউৰোপ মহাদেশৰ কেইখনমান দেশৰ জাতীয় পতাকা



ফ্ৰান্স



গ্ৰীচ


চাৰ্বিয়া


জাৰ্মানী



হাঙ্গেৰী


ইটালি


নৰৱে



নেদাৰলেণ্ড


পোলেণ্ড


ডেনমাৰ্ক


স্পেইন


ছুইডেন


ছুইজাৰলেণ্ড


ইংলেণ্ড


অষ্ট্ৰিয়া